মাপাংক ৩

# বায়োমেট্ৰিক ডেটা এন্ট্ৰি

## ইউ আই ডি এ আই

ভাৰতীয় অনন্য পৰিচয় প্ৰাধিকৰণ

## সূচীপত্ৰ

প্ৰস্তাৱনা....3
লক্ষ্য....3
হাৰ্ডৱেৰ ডিভাইচসমূহ....3
বায়োমেট্ৰিক তথ্য ধৰি ৰখাত প্ৰয়োগ হোৱা ডিভাইচসমূহ....4
মুখাবয়ৱৰ ফটো....4
ডিজিটেল কেমেৰা....4
মুখমণ্ডলৰ ছবি ধৰি ৰখাৰ পদক্ষেপ....5
নথিভুক্ত অপাৰেটৰে ডিজিটেল কেমেৰা ব্যৱহাৰ কৰি এজন নথিভুক্ত কৰোঁতা বা গৃহস্থৰ মুখমণ্ডলৰ ছবি ধৰি ৰাখিব লাগে।....5
মুখমণ্ডলৰ ছবি তোলাৰ নিৰ্দ্দেশনা....7
তথ্যৰ মানদণ্ড....12
আঙুলিৰ ছাপবোৰ....12
ফিংগাৰপ্ৰিন্ট (আঙুলিৰ ছাপ) স্কেনাৰ....13
তথ্যৰ মানদণ্ড....23
চকুৰ মণিবলয়....24
চকুৰ মণিবলয়ৰ ফটো তোলাৰ পদক্ষেপসমূহ....26
চকুৰ মণিবলয় স্কেনিং কৰা নিৰ্দেশাৱলী....28
তথ্যৰ মানদণ্ড....29
উল্লেখ কৰা ব্যতিক্ৰম....30
ব্যতিক্ৰমসমূহৰ পৰিচালনা....30
তালিকাভুক্ত ব্যক্তিৰ বায়োমেট্ৰিক ব্যতিক্ৰমসমূহ গ্ৰহণ....31
নন-বায়'মেট্ৰিক ডিভাইচসমূহ....35
কম্পিউটাৰ....35
ডেস্কটপ....35
চিত্ৰ ২২: ডেস্কটপ কম্পিউটাৰ....36
লেপটপ....36
চক্টবেৰ....37
প্ৰিণ্টাৰ....37
তালিকাভুক্তিকৰণ অপাৰেটৰে কৰিবলগীয়া আৰু নকৰিবলগীয়া....39
কৰিবলগীয়া-এবাৰ কৰিবলগীয়া....39
কৰিবলগীয়া- দিনৰ আৰম্ভনি....39
কৰিবলগীয়া - তালিকাভুক্তিকৰণৰ সময়ত....39
কৰিবলগীয়া - ডেম'গ্ৰাফিক তথ্য সংগ্ৰহৰ সময়ত....39
কৰিবলগীয়া- তথ্যসূত্ৰ আৰু বেঙ্কৰ তথ্য সংগ্ৰহত....40

কৰিবলগীয়া - বায়'মেট্ৰিক তথ্য সংগ্ৰহৰ সময়ত ........ 40
কৰিবলগীয়া- ছবি সংগ্ৰহৰ সময়ত ........ 40
কৰিবলগীয়া- আঙুলিৰ ছাপ লোৱাৰ সময়ত ........ 40
কৰিবলগীয়া- চকুৰ মণিবলয়ৰ চিত্ৰ সংগ্ৰহৰ সময়ত ........ 40
কৰিবলগীয়া – পৰ্যবেক্ষণ, নিশ্চিতকৰণ আৰু মুদ্ৰণৰ সময়ত ........ 41
কৰিবলগীয়া- নথি ব্যৱস্থাপনাৰ সময়ত ........ 41
কৰিবলগীয়া – নথি ব্যৱস্থাপনাৰ সময়ত (যেতিয়া স্কেনিং প্ৰক্ৰিয়া আৰম্ভ হয়) ........ 42
নকৰিবলগীয়া ........ 42

## প্ৰস্তাবনা

ব্যক্তি চিনাক্তকৰণৰ বাবে ব্যৱহৃত পদ্ধতিৰ ত্ৰুটিবোৰ নোহোৱা কৰিবলৈ, আধাৰৰ সকলো পদ্ধতি প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল।

আধাৰ তাৰ আগৰ পদ্ধতিৰ অনিষ্টকাৰী ত্ৰুটি আৰু ডুপ্লিকেশ্বন এৰাই চলিবলৈ ব্যক্তিৰ পৰিচয়ক বায়োমেট্ৰিক তথ্যৰ সৈতে সংযুক্ত কৰে যিটো সংশ্লিষ্ট ব্যক্তিজনৰ অনন্য পৰিচয়। বায়োমেট্ৰিক সম্ভেদ ধৰি ৰাখিবৰ বাবে বিভিন্ন উপকৰণ আৰু চফ্টৱেৰবোৰ প্ৰয়োগ কৰা হয়।

এই মডিউলে সেই উপকৰণবোৰৰ লগত আপোনাক পৰিচয় কৰাই দিয়ে যিবোৰ নথিভুক্ত কেন্দ্ৰত ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য সংগ্ৰহত ব্যৱহাৰ কৰা হয়। বায়'মেট্ৰিক তথ্যবোৰ সংগ্ৰহ কৰিবলৈ বায়'মেট্ৰিক উপকৰণ আৰু আধাৰ গ্ৰাহক নথিভুক্ত চফ্টৱেৰ প্ৰয়োগ কৰা হ'ব।

এই পুষ্টিকাই আপোনাক অন্য উপকৰণৰ লগতো পৰিচয় কৰাই দিয়ে যিয়ে তথ্যবোৰ জমা কৰা আৰু সংৰক্ষণ কৰাত সহায় কৰে আৰু নথিভুক্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাত আৱশ্যকীয় প্ৰমাণপত্ৰ উ্পন্ন কৰে আৰু CIDR লৈ খবৰ স্থানান্তৰ কৰে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এই মডিউলে উপকৰণবোৰৰ উত্তম প্ৰয়োগৰ জৰিয়তে কিদৰে সৰ্বো্কৃষ্ট মানৰ বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰিব পৰা যায় সেই বিষয়ত লক্ষ্য ৰাখিব।

## লক্ষ্য

এই মডিউলৰ শেষত, আপুনি শিকিব:

- বায়োমেট্ৰিক তথ্য
- বিভিন্ন ধৰণৰ বায়োমেট্ৰিক ডিভাইচ
- মুখমণ্ডলৰ ছবি ধৰি ৰখাৰ প্ৰক্ৰিয়া
- আঙ্গুলিৰ ছাপৰ তথ্য ধৰি ৰখাৰ পদক্ষেপবোৰ
- চকুৰ মণিবলয়ৰ আকাৰ ধৰি ৰখাৰ ডিভাইচৰ ব্যৱহাৰ
- নথিভুক্ত প্ৰক্ৰিয়াত নন-বায়োমেট্ৰিক ডিভাইচ

## হাৰ্ডৱেৰ ডিভাইচসমূহ

অধিবাসীৰ নথিভুক্তিৰ বাবে ব্যৱহৃত হাৰ্ডৱেৰ ডিভাইচসমূহক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি:

১.বায়োমেট্ৰিক ডিভাইচসমূহ
২.নন-বায়োমেট্ৰিক ডিভাইচসমূহ

**বায়োমেট্ৰিক ডিভাইচসমূহ** প্ৰত্যেকজন নথিভুক্ত কৰোঁতাৰ বায়োমেট্ৰিক বিৱৰণ যেনে আঙ্গুলিৰ ছাপ, চকুৰ মণিবলয়ৰ ধৰণ আৰু মুখাবয়ৱৰ ফটো ধৰি ৰাখিবৰ বাবে প্ৰয়োগ কৰা।এই ডিভাইচসমূহ তলত দিয়া ধৰণৰ

১.আঙ্গুলিছাপৰ স্কেনাৰ
২.চকুৰ মণিবলয় ধৰি ৰখা উপকৰণ
৩.ডিজিটেল কেমেৰা

**নন-বায়োমেট্ৰিক ডিভাইচসমূহ** ব্যৱহাৰ কৰা হয় তথ্য অন্তৰ্ভুক্তি কৰিবলৈ, পঢ়িবলৈ, জমা কৰিবলৈ, ছপা কৰিবলৈ, স্কেন আৰু তথ্যৰ ফটোকপি কৰিবলৈ। ডিভাইচসমূহক যেনে ইউপিএচ আৰু বৈদ্যুতিক জেনেৰেটৰ আদি বৈদ্যুতিক শক্তি সম্বন্ধীয় কাৰ্য্যত ব্যৱহৃত হয়। এই ডিভাইচসমূহক এনেধৰণৰ

১.কম্পিউটাৰ
২.প্ৰিন্টাৰ
৩.সংৰক্ষণ কৰা ডিভাইচসমূহ (চিডি/ডিভিডি/পেন ড্ৰাইভ/পৰ্টেবল হাৰ্ড ডিস্ক)
৪.স্কেনাৰ
৫.ফটোকপিয়াৰ
৬.ইউপিএচ
৭.ইউনিভাৰ্চেল চিৰিয়েল বাচ (ইউএচবি) হাব
৮.ইলেকট্ৰিক জেনেৰেটৰ

এইসমূহ নন-বায়োমেট্ৰিক ডিভাইচ বোৰৰ বিষয়ত আপুনি এই মডিউলৰ শেষত জানিব পাৰিব

## বায়োমেট্ৰিক তথ্য ধৰি ৰখাত প্ৰয়োগ হোৱা ডিভাইচসমূহ

ব্যক্তিৰ শাৰীৰিক, ৰাসায়নিক বা চাৰিত্ৰিক গুণৰ ওপৰত ভিত্তি কৰি মানুহ এজনৰ পৰিচয় স্থাপিত কৰিবলৈ বায়োমেট্ৰিক ব্যৱহাৰ কৰা হয়।

**চিত্ৰ ১: বায়োমেট্ৰিক ডিভাইচসমূহ আৰু সিহঁতৰ প্ৰয়োগ**

| বায়োমেট্ৰিক ডিভাইচসমূহ | প্ৰয়োগ |
|---|---|
| ডিজিটেল কেমেৰা | মুখ মণ্ডলৰ ছবি ধৰিবলৈ |
| চকুৰ মণিবলয় ধৰি ৰখা ডিভাইচ | চকুৰ মণিবলয়ৰ আকাৰ ধৰিবলৈ |
| আঙ্গুলিৰ ছাপ স্কেনাৰ | আঙ্গুলিৰ ছাপ ধৰিবলৈ |

## মুখাবয়ৱৰ ফটো

মুখমণ্ডলৰ ফটোগ্ৰাফবোৰ সাধাৰণতে বিভিন্ন ধৰণৰ চিনাক্তকৰণ কাৰ্ডত ব্যৱহাৰ কৰা হয় আৰু ইয়াক বায়োমেট্ৰিক পৰিচয় হিচাবে বহলভাৱে গ্ৰহণ কৰা হয়। বায়োমেট্ৰিক নমুনা পদ্ধতিত মুখমণ্ডল মান্যতা পদ্ধতি বহুত কম গ্ৰহণযোগ্য বুলি কোৱা হয়, বিষয়টোৰ ওপৰত কোনো যোগাযোগ অথবা সজাগতাৰ প্ৰয়োজন নাই। ফটোগ্ৰাফ, ভিডিওগ্ৰাফ বা অন্য আকাৰৰ প্ৰতিচ্ছবিৰ শ্ৰোতাৰ পৰা মানুহৰ মুখৰ অৱয়বৰ বায়োমেট্ৰিক আহৰন কৰিব পাৰি।



**চিত্ৰ১:ডিজিটেল আলোকচিত্ৰ**

ভালদৰে স্বয়ংক্ৰিয় মুখমণ্ডল প্ৰমাণীকৰণ প্ৰণালীৰে কাম কৰিবলৈ নিয়ন্ত্ৰিত পোহৰ ব্যৱহাৰ কৰি মুখমণ্ডল উজ্বল কৰি লোৱা আৱশ্যক। ডি-ডুপ্লিকেশ্বন নিশ্চিত কৰণৰ বাবে মুখমণ্ডলৰ সম্ভেদ পৰ্যাপ্ত নহয়। আনকি এটি হাঁহিয়েও আকৃতিৰ যথেষ্ট সলনি কৰিব পাৰে আৰু পদ্ধতিক আঘাত হানিব পাৰে। সেয়েহে, শুদ্ধ চিনাক্তকৰণৰ বাবে নিৰুদ্বেগ মুখমণ্ডলৰ অভিব্যক্তি আৱশ্যক হয়। এইটো সত্যতা চিনাক্তকৰণৰ উদ্দেশ্যৰে ব্যৱহাৰ কৰা হয়, কিন্তু সত্যতা প্ৰমাণ কৰাৰ ক্ষেত্ৰত ই প্ৰয়োজনীয় স্তৰ প্ৰাপ্ত নহয়।

চিত্ৰ ১ এ মুখাবয়ৱৰ সত্যতা প্ৰমাণীকৰণৰ বাবে ডিজিটেল কেমেৰা ব্যৱহাৰ কৰি তোলা ফটো দেখুৱাইছে।

# ডিজিটেল কেমেৰা

ডিজিটেল আকাৰত ফটো তুলিবৰ বাবে ডিজিটেল কেমেৰা ব্যৱহাৰ কৰা হয়।এইটো লেপটপ/ডেস্কটপ কম্পিউটাৰত ইউএচবি (ইউনিভাৰ্চেল চিৰিয়েল বচ)পৰ্টৰ জৰিয়তে সংযোগ কৰা হয়। ডিজিটেল কেমেৰাত এটা অটো-ফকাচ লেন্স থাকে আৰু কম-বেছি কৰিব পৰা ব্যৱস্থা থাকে। স্বয়ংক্ৰিয়ভাবে লেন্স মানুহৰ মুখমণ্ডলত কেন্দ্ৰিত হব পাৰে। উঠা নমা কৰিব পৰা আধাৰে কেমেৰাক লেপটপ অথবা ডেস্কটপত সংযোগ কৰিবৰ বাবে সহায় কৰে। ইয়াৰ দ্বাৰা ফটো তোলাৰ পিছতে তাৎক্ষণাত সেই ফটো প্ৰদৰ্শিত হয়।

ডিজিটেল কেমেৰাৰ নিম্নোক্ত বিশেষত্ববোৰ আছে:

- **ৰেজলিছন–**ফটোগ্ৰাফখন বহুতো ‘বিন্দু’ বা ‘পিক্সেল’ৰ দ্বাৰা নিৰ্মাণ হয়। ৰেজলিউছন ‘পিক্সেল’ৰ ওপৰত নিৰ্ভৰ কৰে বহুত সংখ্যক পিক্সেল মানে ডাঙৰ তথ্যৰ দৃশ্য আৰু সেইবাবে ফটোগ্ৰাফবোৰৰ স্তৰ ভাল হয়।
- **ছিদ্ৰ** – এইটো ছিদ্ৰৰ আকাৰত থাকিব লাগিব যাতে কেমেৰাত পোহৰ সোমাব পাৰে আৰু ইমেজ চেনচৰৰ ওপৰত পোহৰ পৰাত সহায় কৰে। কেমেৰাৰ ধৰণৰ ওপৰত নিৰ্ভৰ কৰি ছিদ্ৰৰ আকাৰ হাতেৰে বা স্বয়ংক্ৰিয় ভাৱে মিলাব পৰা যায়। পোহৰৰ জোখ মিলোৱা নিৰ্ভৰ কৰে কোনো বস্তু বা মানুহৰ তোলা ফটোগ্ৰাফৰ ওপৰত
- **চাটাৰৰ গতি** –এয়া নিৰ্ভৰ কৰে সময় সাপেক্ষে বিন্ধা খোলা ৰখাটোৰ ওপৰত।
- **ফোকেলদুৰত্ব** – এইটো লেন্সৰ দূৰত্ব আৰু ইমেজ চেনচৰৰ স্তৰৰ মাজত থাকে। ফোকেল লেন্স নিৰ্ভৰ কৰে ছবি এটা ডাঙৰ কৰাৰ বাবে বা ‘জুম’ৰ ওপৰত।




**চিত্ৰ ২: ডিজিটেল কেমেৰা**

## মুখমণ্ডলৰ ছবি ধৰি ৰখাৰ পদক্ষেপ

নথিভুক্ত অপাৰেটৰে ডিজিটেল কেমেৰা ব্যৱহাৰ কৰি এজন নথিভুক্ত কৰোঁতা বা গৃহস্থৰ মুখমণ্ডলৰ ছবি ধৰি ৰাখিব লাগে।



**চিত্ৰ ৩: নথিভুক্ত অপাৰেটৰ আৰু নথিভুক্ত কৰা ব্যক্তিৰ অৱস্থান**

### অনশীলন ১: নিম্নোক্ত প্ৰশ্নৰ উত্তৰ দিয়ক।

1. চিত্ৰ ৩ নম্বৰত, বাওঁফালে থকা ব্যক্তিজন__________, যেতিয়া ব্যক্তিজন সোঁফালে(বহে)হয়_____
2. আপুনি কেমেৰাটো চিনাক্ত কৰিব পাৰিছেনে?
3. নথিভুক্তি ষ্টেচনৰ ওপৰত ওলমাই ৰখা বাল্বৰ আৰশ্যকতা কিয় হয়?
4. লেপটপত স্ক্ৰীণ আছেই সেয়ে অন্য এটা মনিটৰ কিয় লাগে?
5. থিয় হৈ থকা মানুহজনৰ পিছফালে ব্যৱহাৰ কৰা সেই বগা পৰ্দাখন কি?

মুখমণ্ডলৰ বায়োমেট্ৰিক তথ্য ধৰি ৰখাৰ পদক্ষেপ দিয়া হল:

1. **নথিভুক্ত কৰোঁতা ব্যক্তিৰ অৱস্থান পৰীক্ষা কৰক:** কেমেৰাৰ সন্মুখত থিয় হৈ গৃহস্থৰ ফটোগ্ৰাফ লোৱা হব। মূৰৰ লৰচৰ বা দাগ আদি গ্ৰহনযোগ্য নহব।
2. **কেমেৰাৰ নিৰ্দ্দিষ্টকৰণ:** পৰিচালকক এইটো নিৰ্দেশ দিয়া হয় যে নিৰ্দিষ্ট স্থানত নথিভুক্তি কৰোঁতাৰ অৱস্থান আৰু ভঙ্গি সলোৱাৰ পৰিবৰ্তে কেমেৰা ঠিক কৰিব লাগে।
3. **নথিভুক্ত কৰোঁতা ব্যক্তিৰ মুখাকৃতিৰ পৰীক্ষা:** পৰিচালক নিশ্চিত হোৱা উচিত যে নথিভুক্তি কৰোঁতা জন স্থিৰ অৱস্থাত আছে। উদাহৰণ স্বৰূপে, ফটোগ্ৰাফ লোৱাৰ সময়ত অধিবাসী জনে হাঁহিব নেলাগে। আৰু ফটো লোৱাৰ সময়ত মুখ বন্ধ ৰাখিব লাগে আৰু চকুদুটা খোলা ৰাখিব লাগে।
4. **ছাঁ/প্ৰতিফলন পৰীক্ষা:** মুখামণ্ডলৰ ছবি তুলিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ পোহৰ থকা আৰশ্যক। পৰিচালক নিশ্চিত হব লাগিব যে অধিবাসীৰ মুখমণ্ডল আৰু চকুযোৰত কোনো ছাঁ আৰু প্ৰতিফলন ঘটি থকা নাই। চকুত কোনো ছাঁ নপৰাকৈ অধিবাসীৰ সন্মুখত অতিৰিক্ত পোহৰ ৰাখিব লাগে।
5. **আই গ্লাচৰ যোগেদি চকুৰ মণিবলয় আৰু চকুৰ তৰাৰ পৰীক্ষা:** নথিভুক্তি কৰা ব্যক্তিজনে চশমা পিন্ধি থাকিলে, আলোকচিত্ৰ চশমাৰ লগতে গ্ৰহণ কৰিব লাগিব। কিন্তু অপাৰেটৰে নিশ্চিত কৰিব লাগিব যে নথিভুক্ত কৰা ব্যক্তিৰ চকুৰ

মণি আৰু মণিবলয় যেন স্পষ্ট হয়। লগতে নখিভুক্তিকাৰী ব্যক্তিজনে যেন গাঢ় / ৰঙীন চানগ্লাচ পিন্ধি নাথাকে সেয়া নিশ্চিত কৰিব লাগিব।

6. **হাতেৰে তোলা ফটোগ্ৰাফ:** মুখমণ্ডলৰ ছবি তুলিবৰ বাবে পৰিচালকে আধাৰ গ্ৰাহকৰ নামভৰ্তি আবেদন **চফ্টৱেৰত** ক্লিক কৰিব লাগে। তাত স্বয়ংক্ৰিয় ফটোগ্ৰাফ তোলা যান্ত্ৰিক বিধি নাথাকে।

## অনুশীলন ২: মুখাকৃতিৰ ছবি

- এজন নামভৰ্তি কৰোঁতা জনৰ মুখাকৃতিৰ ছবি তোলাৰ পদক্ষেপ।
- শুদ্ধ বাক্য বাচি লওক
  ক) নামভৰ্তি কৰাওঁতা জনৰ স্থান ঠিক কৰাৰ পৰিৱৰ্তে পৰিচালকে ডিজিটেল কেমেৰাৰ স্থান ঠিক কৰিব লাগে।
  খ) পৰিচালকে ডিজিটেল কেমেৰাৰ স্থান ঠিক কৰাৰ পৰিৱৰ্তে নামভৰ্তি কৰাওঁতা জনৰ স্থান ঠিক কৰিব লাগে।

### দৃশ্যকল্প ১: পাগুৰি পৰিহিত ব্যক্তিৰ মুখমণ্ডলৰ ছবি লোৱা হৈছে






## মুখমণ্ডলৰ ছবি তোলাৰ নিৰ্দ্দেশনা

১. ডিজিটেল কেমেৰাৰ দ্বাৰা ফটো তুলিবলৈ ব্যৱহাৰ কৰোঁতে স্বয়ংক্ৰিয় ফকাচ টেকনোলজি সক্ষম কৰি তোলা হয়। সেয়ে অপাৰেটৰৰ দ্বাৰা কোনো ফকাচ ঠিক কৰাৰ আৱশ্যক নহয়।

২. কেমেৰাৰ চলন বা ঠেকেচা খোৱাৰ ফলত উৎপাদিত ছবি যাতে অস্পষ্ট বা বেকা নহয় তাৰ প্ৰতি অপাৰেটৰে নিশ্চিত হব লাগে। ছবি বেছি কলা বা বেছি বগা হ'ব নালাগে।

৩. যদি কম ভল্টেজৰ বাবে পোহৰ কম হয়, তেনেহলে অপাৰেটৰে নথিভুক্ত এজেঞ্চীৰ পৰিদৰ্শকক জেনেৰেটৰ বেকআপ ব্যৱহাৰৰ বাবে কব পাৰে।
যদি নিৰ্দিষ্ট কোঠাত পৰ্যাপ্ত পোহৰ না থাকে, তেনেহলে নথিভুক্তি এজেঞ্চীৰ পৰিদৰ্শকক অন্য কোঠালৈ য'ত উপযুক্ত পোহৰ আছে তেনে ধৰণৰ কোঠাত নথিভুক্তৰ ব্যৱস্থা কৰিবলৈ কব পাৰে। ওপৰোক্ত এনে অৱস্থাত, অপাৰেটৰে ফটো তুলিবৰ বাবে ফ্লেচ লাইট ব্যৱহাৰ কৰিব নেলাগে।

৪. এখন অস্বচ্ছ দেৱাল/পাৰ্টিশন থাকিলে তাত বেকড্ৰপ (অধিবাসীৰ পিছফালে এটা বগা প্ৰেক্ষাপট) লগাই থলে ভাল হব।

৫. অপাৰেটৰ জনে পাগুৰী বা মাফলাৰ বা অন্য পোচাক পৰিহিত অধিবাসীৰ মুখমণ্ডলৰ ফটো তুলিব পাৰে। তেওঁ/তাই নিশ্চিত হব লাগে যাতে অধিবাসীৰ গোটেই মুখমণ্ডল দেখা পোৱা যায়। অধিবাসীৰ সম্পূৰ্ণ মুখমণ্ডল তুলিব পৰাকৈ পৰিচালকে কেমেৰাৰ স্থান ঠিক কৰিব লাগে।

৬. মুখমণ্ডলৰ কোনো স্থান আৱৰণ কৰিব পৰা বস্তুৰ প্ৰয়োগৰ অনুমতি দিয়া নহয়।তথাপিও, চিকিৎসাজনিত কাৰণত চকু পেটচ (eye patch) আদিক গ্ৰহণ কৰা হয়।

৭. মহিলা অধিবাসীৰ নথিভুক্তি কৰোৱাৰ ক্ষেত্ৰত আৱশ্যক হলে মহিলা স্বেচ্ছাসেবীয়ে সহায় কৰিব লাগে।

৮. যদি নামভৰ্তি কৰাওঁতা শিশু হয়, তেন্তে অভিভাৱকৰ কোলাত বহাৰ অনুমতি দিয়া হয়। কিন্তু পৰিচালক নিশ্চিত কৰিব লাগে যাতে শিশুৰ মুখমণ্ডলৰ সৈতে অভিভাৱকৰ মুখমণ্ডল তোলা নহয়। এই ক্ষেত্ৰত পৃষ্ঠভাগ বগা নোহোৱাৰ বাবে পৰিহাৰ কৰিব লগা হব পাৰে কিন্তু এখন ফটোতে দুখন ফটো হব নালাগে।

৯. অপাৰেটৰে নিশ্চিত কৰিব লাগিব যে নামভৰ্তি কৰোঁতাজনে যে স্বাভাৱিক ভঙ্গিত থাকে। অৰ্থাৎ তেওঁ হাঁহিব নোৱাৰিব, মুখ বন্ধ থাকিব লাগিব আৰু চকু যোৰ খোলা থাকিব লাগিব।

১০. অপাৰেটৰে নিশ্চিত হব লাগে যাতে তাত নিৰ্দিষ্ট আৰু সমভাবে পোহৰ থাকে আৰু ব্যক্তিৰ মুখমণ্ডল আৰু চকুত কোনো ধৰণৰ ছাঁ নপৰে।

১১. অধিবাসীৰ চশমাযোৰ চাফা আৰু স্বচ্ছ হব লাগে যাতে দুয়োটা চকুৰ মণি আৰু চকুৰ মণিবলয়যোৰ স্পষ্টকৈ দেখা পোৱা যায়। যদি নামভৰ্তি কৰোঁতাজনে ৰঙীন চশমা পিন্ধি থাকে তেন্তে সন্মুখ আৰু পিছফালৰ পোহৰৰ উ৷সবোৰ পৰ্য্যায়ক্ৰমে মিলাব লাগে।

## অনুশীলনী ৩: মনত পেলোৱা…

| |
|---|
| নেহা নিজৰ নাম তালিকাভুক্ত কৰিবলৈ নখিভুক্তি কেন্দ্ৰলৈ আহিছে। কিৰণ হল নখিভুক্তি কেন্দ্ৰটোৰ এজন নতুন অপাৰেটৰ। মুখাকৃতিৰ ছবি তোলোতে তেওঁ কি কি কথা মনত ৰখা উচিত। |

## দৃশ্যকল্প ২: বোৰ্খা পিন্ধা মহিলাৰ মুখমণ্ডলৰ ছবি তোলাৰ দৃশ্য






**অনুশীলন 8: ফটোগ্ৰাফী সম্বন্ধীয় বিষয়বোৰ**

যেতিয়া ফাতিমাৰ ফটোগ্ৰাফ তুলি আছিল তেতিয়া সুপ্ৰিয়াই বিভিন্ন কি কি বিষয় নিয়ন্ত্ৰণ কৰিছিল? তলত দিয়া তালিকাত শুদ্ধ চিন দিয়ক

- ফোকাচ সম্পৰ্কীয় বিষয়
- পোহৰৰ সম্পৰ্কীয় বিষয়
- অধিবাসীৰ মুখৰ প্ৰকাশভংগী সম্পৰ্কীয় বিষয়
- ফটোৰ বেকগ্ৰাউণ্ড সমস্যা
- অধিবাসীৰ অৱস্থানৰ সমস্যা
- ফকাচিং সাংস্কৃতিক বিষয়





## অনুশীলন ৫: শিশুসকলৰ ফটোগ্ৰাফী সম্বন্ধীয় বিষয়

চিন্টুৰ ফটো তোলোতে পৰিচালকে কি কি ভিনভিন বিষয় নিয়ন্ত্ৰণ কৰিছিল? তলত দিয়া তালিকাত শুদ্ধ চিন দিয়ক।

- ফোকাচ সম্পৰ্কীয় বিষয়
- পোহৰৰ সম্পৰ্কীয় বিষয়
- অধিবাসীৰ মুখৰ প্ৰকাশভংগী সম্পৰ্কীয় বিষয়
- ফটোৰ বেকগ্ৰাউণ্ড সমস্যা
- অধিবাসীৰ অৱস্থানৰ সমস্যা
- সাংস্কৃতিক বিষয়

## তথ্যৰ মানদণ্ড

কেতিয়াবা সংগ্ৰহিত ছবিৰ মানদণ্ড প্ৰত্যাশিত ধৰণৰ নহ'ব পাৰে। আপুনি AECৰ দ্বাৰা প্ৰদত্ত বিভিন্ন প্ৰকাৰৰ অভিযোগ্য প্ৰতিক্ৰিয়াসমূহ চাব লাগিব। যদি অধিবাসীৰ ছবি লওঁতে কিবা আসোঁৱাহ থাকে তেন্তে **Face Quality Details পপ-আপ উইণ্ডো ডিফল্টৰূপে প্ৰদৰ্শিত হ'ব। মানদণ্ডৰ বিৱৰণ চাবলৈ Actionable feedback আইকণত ( ) ক্লিক কৰক।**




**মুখাবয়ৱৰ মানদণ্ডৰ বিৱৰণ**

**Face Quality Details** পপ-আপ উইণ্ডোত প্ৰতিটো এট্ৰিবিউটৰ বাবে স্কোৰ, সম্মতি আৰু মন্তব্য আদি প্ৰদৰ্শিত হ'ব। কেইটামান অভিযোগ্য প্ৰতিক্ৰিয়া মন্তব্য হ'ল-

- মুখাবয়ৱ বিচাৰি নোপোৱা
- নথিভুক্তি কৰোঁতাজনে আতৰত থকা (ইনপুট ইমেজৰ ক্ষেত্ৰত চকুৰ দূৰত্ব ৯০তকৈ কম)
- নথিভুক্তি কৰোঁতাজনে অতি ওচৰত থকা (ইনপুট ইমেজৰ ক্ষেত্ৰত চকুৰ দূৰত্ব চিত্ৰৰ প্ৰস্থৰ এক তৃতীয়াংশতকৈ বেছি)
- ভঙ্গী (পোন দৃষ্টি)
- অপৰ্যাপ্ত পোহৰ
- মুখাবয়ৱৰ অতি নিম্ন অৱস্থান (মুখাবয়ৱহীন, বিষয়বস্তুটো মানুহৰ মুখাবয়ৱ বুলি ধৰিব নোৱাৰা)
- ভঙ্গী (চিত্ৰৰ বিচলণ কোণ ১১.৫ ডিগ্ৰীতকৈ বেছি)
- নন-ইউনিফৰ্ম পোহৰ (মুখৰ আউটপুট ইমেজ)
- ভুল প্ৰেক্ষাপট (আউটপুট ইমেজৰ ক্ষেত্ৰত)
- অপৰ্যাপ্ত পোহৰ (আউটপুট ইমেজৰ ক্ষেত্ৰত মুখমণ্ডলত ধূসৰ মান)

## আঙুলিৰ ছাপবোৰ

আপোনাৰ প্ৰত্যেক আঙুলিৰ ছালত যিবোৰ আঁচ দেখা পোৱা যায়, সেইবোৰে নিৰ্দিষ্ট পৃষ্ঠৰ ওপৰত সিহঁতৰ ছাপ এৰিব পাৰে, এনে ধৰণৰ ছাপক আঙুলিৰ ছাপ বা ফিঙ্গাৰপ্ৰিন্ট কোৱা হয়।

এজন ব্যক্তিক চিনি পাবৰ বাবে আঙুলিৰ ছাপ এটা মুখ্য পৰম্পৰাগত প্ৰণালী হিচাবে ব্যৱহাৰ হৈ আহিছে। ডিজিটেল ফিঙ্গাৰপ্ৰিন্ট কেপচাৰ যন্ত্ৰৰ দ্বাৰা সহজতে আঙুলিৰ ছাপ স্কেন কৰিব পাৰি, যিটো ফিঙ্গাৰপ্ৰিন্ট স্কেনাৰ হিচাবে জনা যায়, কম খৰচ আৰু কৰ্মক্ষম নীতিৰ আধাৰত। আঙুলিৰ ছাপৰ ছবিবোৰ পাৰদৰ্শী আইনাৰ গ্লাচৰ প্লেটেনৰ মাজেদি স্কেন কৰা হয়, ইয়াক প্লেটেন বুলি কোৱা হয়, যত আঙুলিবোৰ ৰখা হয়। ছবিৰ ৰিজাল্ট কম্পিউটাৰত জমা কৰা হয়।



**চিত্ৰ ৪: হাতৰ ছাপৰ নমুনা**

| টোকা |
|---|
| মানুহৰ আঙুলিৰ ছাপ দেখা পোৱা আৰু সেইবাবে ডিজিটাইজেশ্চন প্ৰক্ৰিয়া নিৰ্ভৰ কৰে। <br>• বয়স –মানুহ ডাঙৰ হৈ অহাৰ লগে লগে আঙুলিৰ ছাপবোৰ পৰিবৰ্তন হব পাৰে।<br>• বাহিৰা বস্ত আঙুলিবোৰত থাকিব পাৰে- যেনে তেল, ধূলি, বোকা<br>• আঙুলিবোৰত কটা বা আঘাতৰ চিন<br>• ব্যৱসায় আৰু জীৱনধাৰণৰ পদ্ধতিৰ ওপৰত এজন মানুহৰ প্ৰাধান্যৰ নমুনা নিৰ্ভৰ কৰে |

## ফিঙ্গাৰপ্ৰিন্ট (আঙুলিৰ ছাপ) স্কেনাৰ

নথিভুক্তি ষ্টেচনত আঙুলিৰ ছাপবোৰ ডিজিটেল স্লেপ ফিঙ্গাৰপ্ৰিন্ট স্কেনাৰৰ দ্বাৰা যিটো লেপটপ/ডেক্সটপ কম্পিউটাৰত ইউএচবি পৰ্টৰ সংযোজনৰ জৰিয়তে ধৰা হয়। এইটো প্লেট গ্লাস প্লেটেনৰ জৰিয়তে সংযোজন কৰা হয় যাক প্লেটান বুলি জনা যায়। ই আঙুলিৰ ছাপবোৰ ধৰি ৰখাত সহায় কৰে। যেতিয়া আঙুলিবোৰ ইয়াৰ ওপৰত ৰখা হয় তেতিয়া সংশ্লিষ্ট ব্যক্তিজনক নিৰ্দিষ্ট স্থানত আঙুলিবোৰ ৰাখিবলৈ এই যন্ত্ৰটোয়ে সংকেত দিয়ে। একে সময়তে হাতৰ চাৰিটা আঙুলিৰ ছাপ ধৰি ৰাখে স্লেপ ফিঙ্গৰপ্ৰিন্ট স্কেনাৰে। ইয়াৰ পিচত দুয়োটা বুঢ়া আঙুলিৰ ছাপ একেলগে ধৰি ৰাখে।




**চিত্ৰ ৫: আঙুলি ছাপৰ বাবে স্লেপ স্কেনাৰ**

## আঙুলি ছাপৰ ছবি ধৰাৰ পদক্ষেপ

নথিভুক্তি অপাৰেটৰে দুটা হাতৰ পাঁচটা কৈ অৰ্থা মুঠ দহটা আঙুলিৰ ছাপ পাব লাগিব।যদি কোনো মানুহৰ আঙুলিবোৰ দহটাতকৈ বেছি বা কম হয় তাত নিৰ্দিষ্ট প্ৰণালী দিয়া আছে যিটো অনুকৰণ কৰা আৱশ্যক হৈ পৰে।

নামভৰ্তি কৰোঁতাৰ (অধিবাসী) আঙুলিৰ ছাপ কেনেকৈ ধৰি ৰখা হয় নিম্নোক্ত পদক্ষেপবোৰে স্পষ্ট কৰি দিয়ে:

1. **বাওঁ হাতৰ আঙুলিৰ ছাপ:** প্ৰথমতে বাওঁ হাতৰ বুঢ়া আঙুলি বাদ দি চাৰিটা আঙুলিৰ ছাপবোৰ একেলগে ধৰা হয়। আঙুলিবোৰক স্কেন কৰা কাৰ্য চিত্ৰ ৮ ত স্পষ্ট কৰা হৈছে।
   অপাৰেটৰজনে নামভৰ্তি কৰিব অহা ব্যক্তিক বাওঁ হাত থন প্লেটেনৰ ওপৰত থৈ সোঁ হাতেৰে তাৰ ওপৰত অলপ হেচা দিবলৈ অনুৰোধ কৰিব যাতে প্লেটেনৰ পৃষ্ঠৰ সৈতে হাত থন ভালকৈ লাগি থাকে।




চিত্ৰ ৬: প্লেটৰ ওপৰত আঙুলিৰ অৱস্থান



চিত্ৰ ৭: স্কেন হ'ব লগীয়া আঙুলি দেখুৱাই থকা ছবি।

2. **সোঁহাতৰ আঙুলিৰ ছাপ:** দ্বিতীয়তে বুঢ়াআঙুলি বাদ দি বাকী চাৰিটাৰ ছাপ ক্ৰমান্বয়ে সংগ্ৰহ কৰা। ক্ৰমে চিত্ৰ ১০ ত স্কেন কৰিবলগীয়া আঙুলি দেখুওৱা হৈছে-
   অপাৰেটৰজনে নামভৰ্তি কৰিব অহা ব্যক্তিক সোঁ হাত থন প্লেটেনৰ ওপৰত থৈ বাও হাতেৰে তাৰ ওপৰত অলপ হেচা দিবলৈ অনুৰোধ কৰিব যাতে প্লেটেনৰ পৃষ্ঠৰ সৈতে হাত থন ভালকৈ লাগি থাকে।



চিত্ৰ ৮: প্লেটৰ ওপৰত আঙুলিৰ অৱস্থান




চিত্ৰ ৯: স্কেন হ'ব লগীয়া আঙুলি দেখুৱাই থকা ছবি।

3. **দুটা বঢ়া আঙুলিৰ ছাপ:** দুয়োটা বুঢ় আঙুলিৰ ছাপ এটাৰ পিছত এটাকৈ লোৱা হয়। চিত্ৰ ১২ ত দেখুওৱাৰ দৰে বুঢ়া আঙুলি দুটা স্কেন কৰা হয়।
   অপাৰেটৰজনে নামভৰ্তি কৰিব অহা ব্যক্তিক দুয়োটা বুঢ়া আঙুলি প্লেটেনৰ ওপৰত থৈ তাৰ ওপৰত অলপ হেচা দিবলৈ অনুৰোধ কৰিব যাতে প্লেটেনৰ পৃষ্ঠৰ সৈতে ভালকৈ লাগি থাকে।



চিত্ৰ ১১: বুঢ়া আঙুলিৰ স্কেনিং



চিত্ৰ ১০: বুঢ়া আঙুলিৰ অৱস্থান

অপাৰেটৰে নিশ্চিত কৰিব যাতে নামভৰ্তি কৰোঁতাজনে অধিকতম পৃষ্ঠ ব্যৱহাৰ কৰি আঙুলিৰ ছাপকেইটা সঠিকভাৱে স্কেন কৰায় আৰু উপযুক্ত স্কেন ছবি দিয়াব পাৰে।।

4. **স্বয়ংক্ৰিয় ছবিগ্ৰহণ:** এই চক্টৰেৰ এপ্লিকেচনে প্লেটেনখনৰ ওপৰত আঙুলি থোৱাৰ পিছত স্বয়ংক্ৰিয়ভাৱে ফটো তুলি লয়। এই প্ৰক্ৰিয়াত কোনো মাউচৰ ক্লিক নাইবা অন্য কোনো বুটামৰ হেচাৰ প্ৰয়োজন নহয়।
   স্কেনাৰে যেতিয়া সফলভাৱে ছবি সংগ্ৰহৰ ইংগিত দিয়ে, সেই এপ্লিকেচন চক্টৱেৰে হাতৰ আঙুলিৰ ছবি ধৰি ৰাখে। স্কেনাৰে প্ৰতিটো আঙুলিৰ  সফল ছবি সংগ্ৰহৰ বাবে ইংগিত নিদিলে চক্টৱেৰেৰে ফটো নলয়। যদিহে স্বয়ংক্ৰিয়ভাৱে আঙুলিৰ ফটো নুঠে, তেতিয়া অপাৰেটৰজনে নিজে মেনুৱেলি আঙুলিৰ  ফটো তুলিব লাগে।ফৰ্চ কেপচাৰ্ বুটামত ক্লিক কৰিলে এই চক্টৱেৰে মেনুৱেলি ফটো তুলিব দিয়ে। স্বয়ংক্ৰিয়া প্ৰক্ৰিয়াত অন্ততঃ এবাৰ প্ৰচেষ্টা বিফল হোৱাৰ পিছত হে এইটো সম্ভৱ হয়।

5. **নিজ চকুৰে পৰীক্ষণ:** শেষত, অপাৰেটৰজনে ফটোৰ গুণগত মানৰ চাবৰ বাবে নিজ চকুৰে হাতৰ আঙুলিৰ ফটোখিনি এপ্লিকেচন চক্টৱেৰত পৰীক্ষা কৰি চোৱা উচিত।

যদিহে কোনো সমস্যা থাকে, তেন্তে ওপৰৰ পদক্ষেপ পুনৰায় আৰম্ভ কৰক।

### অনুশীলন ৬: হাতৰ আঙুলিৰ ছাপগ্ৰহণ

সংগ্ৰহ কৰা হাতৰ আঙুলিৰ ছবিৰ গুণগত মান ভাল বুলি কিদৰে গম পাব ?

[ইংগিত: আপুনি আধাৰ গ্ৰাহক নামভৰ্তি ব্যৱহাৰ কৰিছেনে?]

**দৃশ্যকল্প ৪- এজন জেষ্ঠ্য নাগৰিকৰ হাতৰ আঙুলিৰ ছাপ সংগ্ৰহ কৰি থকা হৈছে।**






### অনুশীলন ৭: হাতৰ আঙ্গুলিৰ ছাপ ধৰি ৰখাৰ ক্ৰমটো আপুনি জানেনে?


ক্ৰমানুসৰি হাতৰ আঙ্গুলিৰ ছাপ ধৰি ৰখাৰ প্ৰক্ৰিয়া সজাওক

a. দুটা বুঢ়া আঙ্গুলিৰ ছাপৰ ফটো তোলা
b. বাওঁ হাতৰ আঙ্গুলিৰ ছাপ তোলা
c. সোঁহাতৰ আঙ্গুলিৰ ছাপ তোলা।

## হাতৰ আঙ্গুলি ছাপৰ স্কেনিং কৰাৰ নিৰ্দেশাৱলী

১. বাৰে বাৰে চেষ্টা কৰাৰ পিচতো যদি কোনো নামভৰ্তি কৰোতাৰ হাতৰ আঙ্গুলিৰ ছাপ সঠিক নহয়, তেন্তে অপাৰেটৰজনে তেওঁক হাতখন ধুই আহিবলৈ কোৱা উচিত। অপাৰেটৰ জনে কেন্দ্ৰটোত তিতাই থোৱা স্পঞ্জ নাইবা টাৱেল আনিও থব পাৰে।

২. অপাৰেটৰজনে প্লেটেনৰ ওপৰত হাতৰ আঙ্গুলি কেনেদৰে ৰাখিব লাগে দেখুৱাই দিব লাগে কিন্তু এই প্ৰক্ৰিয়া দেখুৱাই দিওঁতে তেওঁ নামভৰ্তিকাৰীক স্পৰ্শ কৰিব নালাগে। তলৰ চিত্ৰ ১৩ ই সেই প্ৰক্ৰিয়াকে দেখুওৱা হৈছে




**চিত্ৰ ১২: হাতৰ আঙ্গুলি স্কেন কৰাত নাগৰিকক সহায় কৰি আছে।**

চিত্ৰ ১৪ ত প্লেটেনৰ ওপৰত হাতৰ আঙ্গুলিবোৰ সঠিককৈ ৰখাৰ নিয়ম দেখুওৱা হৈছে




**চিত্ৰ ১০: হাতৰ আঙুলিৰ ছাপ স্কেনাৰ প্লেটৰ ওপৰত শুদ্ধভাৱে ৰখাৰ নিয়ম।**

৩. অপাৰেটৰজন নিশ্চিত হ’ব লাগে যে হাতৰ আঙুলিবিলাকে স্কেনিং উপকৰণৰ প্লেটেনৰ দাঁতি নুচুৱে। (প্লেটেন হ’ল আঙুলিৰ ছাপ স্কেন কৰা মেচিনৰ ওপৰফালে থকা আইনাৰ পৃষ্ঠ) হাতৰ আঙুলিৰ ছবি ভালকৈ ল’বলৈ হ’লে আঙুলিবিলাকৰ মাজত ফাঁক থাকিব লাগে। চিত্ৰ ১৫ ত দেখুওঁৱাৰ দৰে আঙুলিৰ কোনো অংশই প্লেটেনৰ দাঁতি চুব নালাগে।



**চিত্ৰ ১৪: প্লেটেনৰ ওপৰত আঙুলিৰ সঠিক অৱস্থান**

৪. অপাৰেটৰজনে নাগৰিকক অনুৰোধ কৰিব লাগে যাতে প্লেটেনৰ ওপৰত সামান্য হেঁচা প্ৰয়োগ কৰি তেওঁ স্পৰ্শৰ পৰিসৰ টো বৃদ্ধি কৰে আৰু যাতে প্ৰয়োজনীয় ছবিৰ মানদণ্ড ছবিখনত পাব পাৰে।
   হেঁচা দিবলৈ, অপাৰেটৰজনে প্ৰথমে  নাগৰিকৰ প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। যদি তেওঁ সফল নহয়, অপাৰেটৰজনে নাগৰিকৰ অনুমতি সাপেক্ষে তেওঁক সহায় কৰি দিব পাৰে। যদি অপাৰেটৰজনে এগৰাকী মহিলাৰ নামভুক্তি কৰি আছে, তেন্তে তেওঁ তাত উপস্থিত থকা মহিলা স্বেচ্ছাসেৱকক মাতি তেওঁৰ সহায় বিচাৰিব লাগে।
৫. যদিহে নথিভুক্তিকৰোঁতা/অধিবাসীয়ে প্লেটেনৰ ওপৰত হাতখন আৰু আঙুলিৰবোৰ বহলকৈ মেলি দিবলৈ অসমৰ্থ হয়, তেতিয়া নথিভুক্তিকৰোঁতা/অপাৰেটৰে অধিবাসীক তেওঁৰ অনুমতি লৈ সহায় কৰি দিব।
   যদি এইটোত অসফল হয়, অপাৰেটৰজনে নামভৰ্তি কৰোঁতাজনক যিমান পাৰি হাত আৰু আঙুলি বহলাই মেলিবলৈ দি প্লেটেনৰ ওপৰত থবলৈ কৈ আকৌ এবাৰ চেষ্টা কৰিব পাৰে।
   নামভৰ্তি কৰোঁতাজনে তাৰ পিছত ক্ৰমে অন্যখন হাতৰ আঙুলি নাইবা বুঢ়া আঙুলিৰ ছাপ দিব পাৰে।
৬. নামভৰ্তি কৰোঁতা ছোৱালী বা মহিলাৰ হাতত জেতুকা লগোৱা থাকিলে,অপাৰেটৰজনে সাধাৰণ প্ৰক্ৰিয়াৰে হাতৰ আঙুলিৰ ছাপ সংগ্ৰহ কৰা উচিত। নামভৰ্তি কৰোঁতাজনৰ হাতৰ তুলৱাৰ আঁচবোৰ সীৰাবোৰ মচ খোৱা থাকিলে অপাৰেটৰ জনে হাতখনৰ উপযুক্ত ছাপ পাবৰ কাৰণে সেই ব্যক্তিক হাতখন ধুই আহিবলৈ নাইবা মচি আহিবলৈ ক'ব পাৰে।
৭. অপাৰেটৰজনে নিশ্চিত কৰিব লাগে যে আঙুলিবোৰৰ ওপৰৰ জোৰাটোলৈকে যাতে স্কেনাৰৰ সমতল পৃষ্ঠত লিপিট খোৱাকৈ সমান হৈ থাকে। প্লেটেনৰ ওপৰত পোনপটীয়া পোহৰৰ চমকনি পৰিব নালাগিব। আঙুলিবিলাকৰ অৱস্থান মিলাবলৈ ফিংগাৰপ্ৰিন্ট ডিভাইচটোত থকা সূচক ব্যৱহাৰ কৰক। ডিভাইচটোৰ সঠিক দিশত আঙুলিবিলাক ৰাখিব লাগে।
৮. অপাৰেটৰে সময়ে সময়ে প্লেটেন চাফা কৰিবলৈ পটি নথকা কাপোৰ ব্যৱহাৰ কৰিব লাগে। চিত্ৰ ১৬ ত সেই ডিভাইচ চাফা কৰাৰ প্ৰক্ৰিয়া দেখুওৱা হৈছে



চিত্ৰ ১১: হাতৰ আঙুলিৰ ছাপলোৱা স্কেনাৰ পৰিষ্কাৰ কৰণ

৯. অপাৰেটৰে প্লেটেনত কিবা আঁচোৰ পৰিছে নেকি সময়ে সময়ে নিৰীক্ষণ কৰিব লাগে।নামভৰ্তি চলি থাকোতেও অপাৰেটৰে ফকাচৰ পৰা আঙ্গুলি বাহিৰলৈ ওলাইছেনে নাই অথবা আংশিক হে আঙ্গুলিৰ ছাপ সংগ্ৰহ হৈআছে তাক নিৰীক্ষণ কৰিব লাগে।
১০. থিয় হৈ থাকিলে আটাইতকৈ ভাল আঙ্গুলিৰ ছাপ সংগ্ৰহ কৰা হয়।
১১. নাগৰিকৰ অতিৰিক্ত আঙ্গুলি যদি থাকে, অপাৰেটৰে সেইবিলাক আওকাণ কৰি প্ৰতিটো হাতৰ মুখ্য পাঁচটা আঙ্গুলিৰহে ছাপ সংগ্ৰহ কৰিব লাগে।

## অনুশীলন ৮: জ্ঞান পৰীক্ষা...

এজন নামভৰ্তি কৰোঁতাৰ হাতৰ আঙ্গুলিৰ ছাপ সংগ্ৰহ কৰোতে মনত ৰাখিবলগীয়া অন্ততঃ পাঁচটা কথাৰ তালিকা বনাওক।

## দৃশ্যকল্প ৫: এজন ল’ৰাৰ হাতৰ আঙ্গুলিৰ ছাপ লৈ থকা হৈছে






## অনুশীলন ৯: হাতৰ আঙ্গুলি সম্পৰ্কীয় সমস্যা


বোমানৰ হাতৰ আঙ্গুলিৰ ছাপ সংগ্ৰহ কৰোতে অপাৰেটৰে কি কি বাধাৰ সন্মুখীন হৈছে? তলত দিয়া তালিকাৰ পৰা বাচনি কৰক:

- শিশুটো অপাৰেটৰৰ নিৰ্দশনা অনুসৰণ কৰিবলৈ অসমৰ্থ
- শিশুটোৰ আঙ্গুলিবিলাক অপৰিষ্কাৰ
- শিশুটোৰ হাতখন খুবেই বেছি তিতি থকা
- শিশুটোৱে যিমান লাগে সিমান বল দি হেঁচা দিব পৰা নাই
- শিশুটোৰ হাতৰ আঙ্গুলিবিলাকৰ গঢ় ভালকৈ উঠি অহা নাই
- শিশুটোৰ হাতৰ আঙ্গুলিবিলাকত জেতুকা সনা আছে

## তথ্যৰ মানদণ্ড

যদি চিষ্টেমৰ ভিতৰত থকা নিৰ্ধাৰিত মানৰ সৈতে সংগ্ৰহ কৰা তথ্যৰ মান একে হয় তেনেহলে সেই তথ্য গ্ৰহণ কৰা যাব আৰু সংৰক্ষণ কৰিব লাগিব।

মনত ৰাখিব আপুনি ইয়াৰ পৰা আগুৰাবলৈ গ্ৰহণযোগ্য মানদণ্ড পাব লাগিব। **Actionable feedback** icon ( ) ত ক্লিক কৰি **Quality Details উইণ্ডো প্ৰদৰ্শিত কৰিব পাৰিব য'ত স্লেপ সম্মতি প্ৰতিবেদন প্ৰদৰ্শিত হ'ব।**





**চিত্ৰ ১৬: আঙুলিৰ ছাপৰ মানদণ্ডৰ বিৱৰণসমূহ**

চফ্টওৱেৰৰ দ্বাৰা প্ৰদান কৰা কেইটামান অভিযোগ্য প্ৰতিক্ৰিয়া হ'ল–

- বিদ্যমান আঙুলিৰ সংখ্যা প্ৰত্যাশিত আঙুলিৰ সংখ্যাৰ লগত অমিল।
- আঙুলি সঠিকভাৱে ৰখা হোৱা নাই।
- অতি বেছি চাপ প্ৰয়োগ কৰা হৈছে।
- অতি কম চাপ প্ৰয়োগ কৰা হৈছে।
- মাজৰ অংশখিনি নোহোৱা
- অতিমাত্ৰা সেমেকা হোৱা (তিতা)
- অতিকৈ শুকান

## চকুৰ মণিবলয়


মণিৱলয় হ'ল মানুহৰ চকুৰ এটা ৰঙীন আৰু চকুৰ আটাইতকৈ দৃশ্যমান অংশ যিয়ে চকুৰ মণিক আগুৰি থাকে। মণিবলয়ে চকুত প্ৰৱেশ কৰা পোহৰৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে। চকুৰ মণি আৰু স্কেলাৰৰ দ্বাৰা আবৃত আঙঠি আকাৰৰ চকুৰ এটা অংশই হল মণিবলয়।




চিত্ৰ ১৭: মণিবলয়

চকুৰ মণিবলয় বিভিন্ন আকাৰ আৰু আৰ্হিৰ যাক ফটো তুলিব পৰা যায়। আৰ্হিবোৰ বিভিন্ন ধৰণে গঠিত হয় আৰু বহুত কঠিন। মণিৰ চিনাক্তকৰণ আৰু আৰ্হি মিলোৱাৰ বাবে বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ:

- আঘাতপ্ৰাপ্ত হোৱাৰ বাহিৰে সময়ৰ সৈতে আৰ্হিবোৰৰ সলনি নহয়।
- দুজন মানুহৰ চকুৰ কোনোটোৰে মণিবলয়ৰ আৰ্হি একে নহয়; আনকি একেজন মানুহৰ সোঁ আৰু বাওঁ চকুৰ মণিবলয়ৰ আৰ্হিও বেলেগ বেলেগ।
- চচমা আৰু কণ্টেক্ট লেনচ লগালে ই ফটোৰ গুনৰ প্ৰভাৱ পেলায়।
- অন্য বায়'মেট্ৰিক পদ্ধতিৰ তুলনাত এই পদ্ধতিটোৱে বহুসংখ্যক মানুহক সাঙুৰি লয়।
- বিদ্যমান নমুনাটোৰ তুলনাত এই নমুনা বেশী দ্ৰুত।



চিত্ৰ ১৮: মণিবলয়ৰ আৰ্হি

মণিবলয় আমাৰ চকুৰ এটা ভিতৰৰ অংশ। সেয়েহে চকুৰ মণিবলয়ৰ ক্ষতি হোৱাৰ আশংকা খুবে কম। সেয়ে ইয়াক এজনৰ জীৱনত 'সদায় পাব পৰা' প্ৰমাণ হিচাপে সাব্যস্ত কৰা হয়।

দৈনিক ফটো লোৱাৰ দৰে মণিৰ ফটো লোৱা পদ্ধতিও একে, মাথোন ই ইনফ্ৰাৰ্ড পোহৰৰ দ্বাৰা হে চলে যিটো আমাৰ চকুৰ কাৰণে অদৃশ্য। মণিবলয়ৰ ফটো ধৰি ৰখা সজুঁলিয়ে ইয়াক এথন ফটোলৈ ৰূপান্তৰ কৰে যাক কম্পিউটাৰত জমা কৰি ৰাখিব পৰা যায়।

চকুৰ মণিবলয়ক বহুলভাৱে সঠিক বায়'মেট্ৰিক হিচাপে বিশ্বাস কৰা হয়। মণিবলয়ৰ আৰ্হি দুয়োটা চকুৰেই পৰস্পৰ সম্বন্ধ নথকা। সেয়েহে ই দুটা স্বাধীন বায়'মেট্ৰিক আকৃতি নিৰূপণ কৰি দিয়ে।

কোনো শাৰীৰিক সংস্পৰ্শ অবিহনে মণিবলয়ৰ আৰ্হি অৰ্জন কৰা হয় আৰু যাৰ মণিবলয়ৰ ছবি লোৱা হব তেওঁৰ বেছি অসুবিধা নোহোৱাকৈ লোৱা হয়। আৰু লগতে অতি কম সময়তে লোৱা হয়।

## চকুৰ মণিবলয়ৰ চিত্ৰ ধৰি ৰখাৰ ডিভাইচ

চকুৰ মণিবলয় ধৰি ৰখা ডিভাইচ এটা বায়'মেট্ৰিক সজুঁলি। মণিৰ চিত্ৰ ধৰি ৰখা দুই ধৰণৰ সজুঁলি পোৱা যায়, তাৰে এটা দি এটা মণিবলয়ৰ চিত্ৰ ধৰি ৰখা যায় আৰু আনটো দি দুটা মণিবলয়ৰ চিত্ৰ ধৰি ৰখা যায়। এটা মণিবলয়ৰ চিত্ৰ ধৰি ৰখাৰ সজুঁলিটোৱে এটা সময়ত এটা চকুৰ হে চিত্ৰ লব পাৰে আনফালে দুটা মণিবলয়ৰ চিত্ৰ ধৰি ৰখা সজুঁলিটো এটা সময়তে দুয়োটা চকুৰ মণিবলয়ৰ চিত্ৰ ধৰি ৰাখিব পাৰে। মডেলৰ আৰু নিৰ্মাণৰ ওপৰত ভিত্তি কৰা এই সজুঁলিবোৰ হেণ্ড-হেল্ড আৰু ট্ৰাইপড-হেল্ড হয়।
নথিভুক্তকৰণ কেন্দ্ৰত চকুৰ মণিবলয় ধৰি ৰখা সজুঁলিটো লেপটপ/ডেস্কটপৰ লগত ইউ এচ বি পৰ্টত সংযোগ কৰা হয়। এই সজুঁলিটো চলিবৰ বাবে কোনো ধৰণৰ বাহিৰা বিজুলী শক্তিৰ প্ৰয়োজন নহয়। মণিবলয় চিত্ৰ ধৰি ৰখা সজুঁলিটোৱে লেপটপ/ডেস্কটপৰ ইউ এচ বি পৰ্টৰ বৈদ্যুতিক শক্তি লাভ কৰে।



চিত্ৰ ১৯: দুটা মণিবলয় ধৰি ৰখা সজুঁলি



**চিত্ৰ ২০: এটা চকুৰ মণবলয়ৰ স্কেনাৰ**

কাৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ধৰণৰ মণিবলয়ৰ স্কেনাৰ পোৱা যায়। সেইবোৰ তলত দিয়া হ'ল।

- দুটা মণিবলয়ৰ স্কেনাৰে এটা সময়তে দুটা চকুৰ মণিবলয়ৰ ছবি লয়। কাৰ্য্যকৰ্তাই স্কেনাৰটো নামভুক্তকাৰীৰ চকুৰ সন্মুখত লাহে লাহে ঘুৰাই থাকে। যেতিয়া চকুৰ ওচৰত আহে স্বয়ংক্ৰিয়ভাৱে মণিবলয়ৰ ছবি স্কেন হয়।
- দুটা মণিবলয় স্কেনাৰৰ অন্য ধৰণো আছে যাক দুয়োটা চকুৰ নিচেই কাষতে ধৰা হয়। স্কেনাৰটোৱে এটা মণিবলয়ৰ পিছত আনটো স্কেন কৰে। কিন্তু ইয়াত স্কেনাৰটো ঘুৰাই থাকিব লগা নহয়।
- এটা মণিবলয় স্কেনাৰ দেখিবলৈ ডিজিটেল কেমেৰাৰ দৰে।এইটো ধৰণৰ স্কেনাৰে এটা সময়ত এটা চকুৰ হে ছবি স্কেন কৰে। নামভুক্তকৰণ কাৰ্য্যকৰ্তাই এটা সময়ত নামভুক্তকাৰীৰ চকুৰ ওচৰত ধৰি ইয়াৰ ফটো লয়।

চকুৰ মণিবলয়ৰ চিত্ৰ ধৰি ৰখা সজুঁলিয়ে স্কেন কৰি মণিবলয়ৰ আৰ্হিবোৰ পৰীক্ষা কৰে (আগত উল্লেখ কৰা মতে) আৰু এটা ডিজিটেল ছবি প্ৰস্তুত কৰে। বেছিভাগ মণিবলয় ধৰি ৰখা সজুঁলিত ইনফ্ৰাৰ্ড লাইট ব্যৱহৃত হয়, যিটো মানুহৰ সাধাৰণ চকুৰে দেখা নাপায় আৰু চকুৰ কোনো ধৰণৰ অপকাৰ নকৰাকৈ মণিবলয়ৰ সঠিক চিত্ৰ তুলি ধৰে।

তৈয়াৰকৰণ আৰু মডেলৰ ওপৰত ভিত্তি কৰি এই সজুঁলিসমূহ

- হেণ্ড-হেল্ড
- ট্ৰাইপড-মাউন্টেড

চকুৰ মণিবলয় ধৰি ৰখা ডিভাইচটো বহুত কম ওজনৰ। যেতিয়া ডিভাইচটো সঠিকভাৱে ৰখা হয়, তেতিয়া ই স্বয়ংক্ৰিয়ভাৱে চকুৰ মণিবলয়ক ফকাচ কৰিবলৈ সক্ষম হয়। ই বিভিন্ন ধৰণৰ পোহৰযুক্ত অৱস্থাত স্বয়ংক্ৰিয়ভাৱে মিলি যায়।

ইয়াৰ এটা ইউএচবি সংযোগী তাঁৰ আছে, যাৰ দ্বাৰা কম্পিউটাৰৰ লগত এই ডিভাইচটোক সংযুক্ত কৰে। সেই একে ইউএচবি সংযোগৰ মাধ্যমত কম্পিউটাৰৰ পৰা এইটো বৈদ্যুতিক শক্তিও লাভ কৰে।

চকুৰ মণিবলয়ৰ চিত্ৰ সংগ্ৰহ কৰা ডিভাইচটো দ্ৰুত আৰু সঠিক। ব্যৱহাৰকাৰীৰ কোনো হস্তক্ষেপ নোহোৱাকৈ স্বয়ংক্ৰিয়ভাৱে এইটো ফটো তুলিবলৈ সক্ষম। কিন্তু, চকুক অস্পষ্ট কৰিব পৰা কোনো বস্তুৰ দ্বাৰা ইয়াৰ শুদ্ধতাত প্ৰভাৱ পেলাব পাৰে। লগতে চকুত চামনি পৰা ৰোগ থকা মানুহৰ বাবেও ই উপযুক্ত নহ'ব পাৰে।



**চিত্ৰ ২১: চকুৰ মণিবলয়ৰ ছবি সংগ্ৰহ আৰু ছবিৰ ফলাফল**

## চকুৰ মণিবলয়ৰ ফটো তোলাৰ পদক্ষেপসমূহ

চকুৰ মণিবলয়ৰ ফটো তোলা উপকৰনেৰে মণিবলয়ৰ বায়'মেট্ৰিক সংগ্ৰহ কৰিবলৈ তলত দিয়া প্ৰক্ৰিয়াবোৰ মানি চলিব লাগে:

1. **নামভৰ্তি কৰাবলৈ অহা ব্যক্তিৰ চকুৰ অস্তিত্ব নিৰীক্ষণ কাৰ্য্য:** কোনো এটা নাইবা দুয়োটা চকু নথকাৰ কাৰণে, নাইবা দুয়োটা চকুত বেন্ডেজ মৰা থাকিলে নাইবা কোনো এটা অথবা দুয়োটা চকুত বিকৃতি থাকিলে, সেই কথা আধাৰ তালিকাভুক্ত ক্লায়েন্ট এপ্লিকেচন চফ্টৱেৰত ভৰাই ৰেকৰ্ড কৰিব লাগে।
2. **নামভৰ্তি কৰাবলৈ অহা ব্যক্তিৰ অৱস্থানৰ নিৰীক্ষণ:** নামভুতিৰ বাবে অহা ব্যক্তিক লৰচৰ নকৰাকৈ এটা অৱস্থানত বহিভলৈ অনুৰোধ কৰক।নামভৰ্তি কৰাবলৈ অহা ব্যক্তিক স্থিৰ অৱস্থাত বহিবলৈ অনুৰোধ কৰক।পৰ্ট্ৰেইট ফটো তুলিবলৈ বহাৰ দৰে বহা উচিত।
3. **চকুৰ মণিবলয়ৰ ছবি সংগ্ৰহ কৰা ডিভাইচটো লক্ষ্য কৰি:** চকুৰ মণিবলয় সংগ্ৰহ কৰা ডিভাইছটো নামভৰ্তি কৰোতা ব্যক্তিৰ চকুৰ ফালে পোনাই লওক।উপকৰণটো স্থিৰভাৱে লৰচৰ নকৰাকৈ ধৰা উচিত। যদিহে উপকৰণটো নাগৰিকৰ দ্বাৰা ধৰিবলগা হয় তেনেক্ষত্ৰত অপাৰেটৰে উপকৰণটো ধৰি স্থিৰ কৰাত তেওঁক সহায় কৰি দিব পাৰে।
4. **কোঠাটোৰ পোহৰৰ পৰীক্ষণ:** চকুৰ মণিবলয়ৰ ছবি সংগ্ৰহ কৰা প্ৰক্ৰিয়াটো কোঠাত থকা পোহৰৰ প্ৰতি সংবেদনশীল। নিশ্চিত কৰক যাতে কোনো পোনপটীয়া নাইবা আওপকীয়া বাহ্যিক পোহৰ পোনেপোনে গৈ নামভৰ্তিকৰোতাৰ চকুত প্ৰতিফলিত নহয়।চকুৰ মণিবলয় সংগ্ৰহ কৰোতে মুখাবয়ৱৰ ফটো লবলৈ ব্যৱহাৰ কৰা পোহৰৰ উ্স বন্ধ কৰি থোৱা উচিত।
5. **ছবিৰ মানদণ্ড পৰীক্ষা:** চকুৰ মণিবলয়ৰ ফটো সংগ্ৰহ কৰাৰ পিছত, আধাৰ তালিকাভুক্ত ক্লায়েন্ট এপ্লিকেচন চফ্টৱেৰটো চকুৰ মণিবলয়ৰ চিত্ৰৰ মান পৰীক্ষা কৰিব পাৰে। চকুৰ মণিবলয়ৰ ফটো উঠোৱাৰ সময়ত সেই ফটোৰ মান কেনে ধৰণৰ হব সেয়া অপাৰেটৰে ধাৰণা কৰিব পাৰে। যদি সংগ্ৰহ কৰা ফটোৰ মানদণ্ড বেয়া হয়, উপকৰণটোৱে অপাৰেটৰজনক সতৰ্ক কৰি দিয়ে। সংগ্ৰহ কৰা ফটোৰ মানদণ্ড উন্নত নহ'লে ভাল মানদণ্ডৰ ফটো তুলিবলৈ আকৌ এবাৰ চেষ্টা কৰক।

## দৃশ্যকল্প ৬: চকুৰ মণিবলয়ৰ ফটো সংগ্ৰহ



## চকুৰ মণিবলয় স্কেনিং কৰা নির্দেশাৱলী

1. যদিহে নামভর্তি কৰিবলৈ অহা মানুহ জন কেৰাচকুৰ হয় আৰু একেসময়তে দুয়োটা চকুৰ ফটো লোৱাটো সম্ভব নহয়, তেন্তে অপাৰেটৰে পুনৰাই ফটো ল'ব পাৰে।
2. যদিহে নামভর্তি কৰিবলৈ অহা মানুহজনে স্কেন কৰিব পৰাকৈ চকুদুটা মেলিব নোৱাৰে, তেন্তে বিভিন্ন ভঙ্গি ব্যৱহাৰ কৰি ভদ্ৰভাৱে তেওক চকুদুটা বহলকৈ মেলিবলৈ কওঁক। সেই ধৰণেৰেও কাম নহ'লে, তেতিয়া নিজৰ মতে যি ভাল দেখে সেইমতে ৰিকেপচাৰ কৰি উন্নত মানৰ ফটো এখন ল'ব।
3. চকুৰ মণিবলয়ৰ ফটো তোলা উপকৰণে স্বয়ংক্রিয় ফোকাচ আৰু স্বয়ংক্রিয় ফটো কেপচাৰ প্ৰযুক্তি ব্যৱহাৰ কৰে। গতিকে অপাৰেটৰে ফকাচৰ নাইবা ফটোকেপচাৰৰ কাৰণে একো মিলাব নালাগে।

### টোকা

বৰ কম অন্ধ মানুহৰ ক্ষেত্ৰত চকুৰ মণিৰ ফটো লোৱা সম্ভৱ হয়।চকুৰ মণিবলয়ৰ ফটো তোলা ডিভাইচত ব্যৱহৃত হোৱা চকুৰ মণি চিনাক্তকৰণ প্ৰযুক্তিয়ে মানুহজনৰ চকুৰ মণিবলয়ৰ আকাৰৰ সৱিশেষ সংগ্ৰহ কৰে।।যেতিয়ালৈ অন্ধ চকুত মণিবলয় দৃশ্যমান হৈ থাকে, তেতিয়ালৈ তাৰ সৱিশেষ তুলি ল'ব পাৰি।

## অনুশীলন ১০: আপোনাৰ বোধগম্য পৰীক্ষা কৰক।


পূৰ্বৱৰ্তী বিষয়বস্তু অধ্যয়ন কৰাৰ পিছত,

- চকুৰ মণিবলয়ৰ ফটো তুলিবলৈ ব্যৱহাৰ কৰা বিভিন্ন প্ৰকাৰৰ ডিভাইচবোৰ কি কি ?
- কি কাৰকে চকুৰ মণিবলয়ৰ ফটো তোলাত অসুবিধা সৃষ্টি কৰে চিন্তা কৰক।
- চকুৰ মণিবলয়ৰ সর্বো‌ৎকৃষ্ট ফটো তুলিবলৈ আপুনি ব্যৱহাৰ কৰা উত্তম পন্থাবোৰ কি কি হ'ব?
- তলত দিয়া পৰিস্থিতি কেনেকৈ চম্ভালিব:
  - অধিবাসীৰ চকুত শাৰিৰীক বিকৃতি থাকিলে
  - অধিবাসীয়ে চকুৰ মণিবলয়ৰ স্কেনাৰ ব্যৱহাৰ কৰিবলৈ অসমৰ্থ থাকিলে।
- ইতিমধ্যে তোলা ফটোখন ভাল হৈছে নে বেয়া হৈছে কিদৰে গম পাব?

## তথ্যৰ মানদণ্ড

যদি চিষ্টেমৰ ভিতৰত থকা নিৰ্ধাৰিত মানৰ সৈতে সংগ্ৰহ কৰা তথ্যৰ মান একে হয় তেনেহলে সেই তথ্য গ্ৰহণ কৰা যাব আৰু সংৰক্ষণ কৰিব লাগিব।
যদি মণিবলয়ৰ চিত্ৰ সংগ্ৰহ সঠিক থাকে তেনেহলে স্ক্ৰোল বাৰ ডাল সেউজীয়া হ'ব। ৰঙা হলে চিত্ৰ সংগ্ৰহ অকৃতকাৰ্য হোৱা বুজাব।

**Actionable feedback** আইকণত ক্লিক কৰাৰ পিছত **Quality Details** পপ-আপ উইণ্ডো প্ৰদৰ্শিত হ'ব য'ত স্কোৰ, গুণগতমান, সম্মতি আৰু মন্তব্য আদি প্ৰদৰ্শিত হ'ব।





মণিবলয়ৰ মানদণ্ডৰ বিৱৰণসমূহ

চক্টৱেৰৰ দ্বাৰা উপলব্ধ কিছুমান কাৰ্যকৰী মতামত হ'লঃ

- অৱৰোধ (মণিবলয়ৰ উল্লেখযোগ্য অংশ দৃশ্যমান নোহোৱা)
- মণিবলয়ৰ আলোকপাত নোহোৱা
- অশুদ্ধ স্থিৰ দৃষ্টি (আৱাসীয়ে দূৰত চাই আছে)
- চকুৰ মণিবলয়ৰ প্ৰসাৰণ


## উল্লেখ কৰা ব্যতিক্ৰম

কোনো বায়’মেট্ৰিক ব্যতিক্ৰম নিৰ্ধাৰণ কৰিবলৈ ডেম’গ্ৰাফিক পৰ্দাৰ বায়’মেট্ৰিক ব্যতিক্ৰম বুটামত ক্লিক কৰক।




**চিত্ৰ ২২- বায়’মেট্ৰিক ব্যতিক্ৰম তথ্য সংগ্ৰহ**

তলৰ পপ-আপ উইণ্ডো খোল খাব।




**বায়’মেট্ৰিক ব্যতিক্ৰম সংগ্ৰহ- ব্যতিক্ৰম চিনাক্ত কৰাৰ পিছত।**

- চবিৰ নিৰ্দিষ্ট অংশত ক্লিক কৰি আৱাসীৰ বায়’মেট্ৰিক ব্যতিক্ৰম উল্লেখ কৰক আৰু OKত ক্লিক কৰক।

# ব্যতিক্ৰমসমূহৰ পৰিচালনা

অতি যত্নৰে ব্যতিক্ৰমসমূহ পৰিচালনা কৰিব পাৰি। সমগ্ৰ প্ৰক্ৰিয়াটোত সংশ্লিষ্ট ব্যক্তিজনে যেন আৰামদায়ক অনুভৱ কৰিব পাৰে তাৰ বাবে বিশেষ যত্ন লোৱা উচিত। ব্যতিক্ৰমসমূহ পৰিচালনাৰ পদ্ধতিবোৰ তলত দিয়া হল।

### ব্যতিক্ৰমসমূহৰ সম্পৰ্কত তথ্য

গ্ৰামীণ ভাৰতত বহু ব্যক্তি আছে যিহঁতে শাৰীৰিক পৰিশ্ৰমৰ বাবে আঙ্গুলিৰ ছাপ দিবলৈ অক্ষম।

**ইয়াৰ বাবে নিশ্চিত কৰিব লাগিব যে পৰিচালকৰ দ্বাৰা গ্ৰহণ কৰা সকলোবস্তুৰ মানৰ ওপৰত সতৰ্ক দৃষ্টি ৰখা হয়।**

ব্যতিক্ৰমসমূহ ঘটাৰ কাৰণ:

- আঘাতপ্ৰাপ্ত
- আঙ্গুলিবোৰৰ অঙ্গচ্ছেদ

- হাতৰ অঙ্গচ্ছেদ
- চকুৰ সমস্যা

## তালিকাভুক্ত ব্যক্তিৰ বায়োমেট্ৰিক ব্যতিক্ৰমসমূহ গ্ৰহণ

১ • প্ৰথমত, অধিবাসীৰ আঙ্গুলি আৰু চকুৰ সক্ষমতা পৰীক্ষা কৰিব লাগিব

২ • বায়োমেট্ৰিক কেপচাৰ বুতামত ক্লিক কৰি বায়োমেট্ৰিক ব্যতিক্ৰমসমূহ নিৰ্দিষ্ট কৰিব লাগিব

৩ • চিত্ৰটোৰ নিৰ্দিষ্ট অংশত ক্লিক কৰিব লাগিব

৪ • সংশ্লিষ্ট অংশটোৰ তথ্য গ্ৰহণ সম্ভৱ নহব, ইয়াৰ ইঙ্গিত পাবলৈ  চিত্ৰটোৰ যি কোনো এটা অংশত এবাৰ ক্লিক কৰিব লাগিব

৫ • ফটোগ্ৰাফ স্ক্ৰীণৰ উপৰত ফটোগ্ৰাফ হিচাপত ব্যতিক্ৰমসমূহ গ্ৰহণ কৰিব লাগিব

৬ • বায়োমেট্ৰিক ব্যতিক্ৰমসমূহৰ বাবে পৰিদৰ্শকৰ পৰীক্ষাকৰণ সংগ্ৰহ কৰিব লাগিব

- বায়োমেট্ৰিক এক্সচেপছন কেপচাৰ বুতামত ক্লিক কৰি প্ৰতিটো ব্যতিক্ৰম এবাৰতে গ্ৰহণ কৰিব লাগিব
- যদি অধিবাসীৰ অতিৰিক্ত আঙ্গুলি থাকে, তেনেহলে অপাৰেটৰে অতিৰিক্ত আঙ্গুলিক উপেক্ষা কৰিব লাগিব।
- বায়োমেট্ৰিক ব্যতিক্ৰম হিচাপত অতিৰিক্ত আঙ্গুলিৰ ছাপ নলব।
- এই ক্ষেত্ৰত, অতিৰিক্ত আঙ্গুলি/আঙ্গুলিবোৰৰ ছাপ গ্ৰহণ উপেক্ষা কৰাৰ বাবে সংশ্লিষ্ট আৱাসীক অপাৰেটৰে সহায় কৰিব লাগিব।

ব্যতিক্ৰমৰ ফটো গ্ৰহণ কৰাৰ সময়ত:

- হাতৰ তলুৱা কেমেৰাৰ ফালে মুখ কৰি থাকিব লাগে
- মুখ আৰু হাত দুখন ফ্ৰেমৰ ভিতৰত থাকিব লাগিব

**ঘটনা**

৬৫ বছৰ বয়সৰ পাঞ্জাবী ব্যক্তি মনমীত সিং। তেওঁ পাগুৰী পিন্ধি তালিকাভুক্ত কেন্দ্ৰলৈ আহিছিলে। পাগুৰীৰ বাবে তেওঁৰ মুখৰ চিত্ৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত আপোনাক অসুবিধাৰ সন্মুখীন হব লাগিব। ইতিমধ্যে দীৰ্ঘ সময় ধৰি লাইনত অপেক্ষা কৰাৰ বাবে তেওঁ খুবেই ক্ষুব্ধ হৈ আছিলে।

আপুনি কেনেকৈ তেওঁৰ মোকাবিলা কৰিব?

## মুখৰ চিত্ৰ লোৱাৰ সময়ত কি ধৰণৰ সমস্যা দেখা দিব পাৰে?

- কম পোহৰ
- মুৰত স্কাৰ্ফ অথবা পাগুৰীৰ বাবে চিত্ৰটো সৰু কৰাৰ ক্ষেত্ৰত অক্ষমতা
- আৱাসীজনে মুখ অথবা শৰীৰ স্থিৰ আৰু উলম্বকৈ ৰাখিব নোৱাৰিলে

### পোহৰৰ বেয়া অৱস্থাসমূহ

- ফ্লাস ব্যবহাৰ নকৰিব।
- পাৰিপাৰ্শ্বিক পোহৰৰ ব্যৱস্থা উন্নতমানৰ কৰিবলৈ স্থানীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিব লাগিব।
- কম ভোল্টেজৰ বাবে যদি পৰ্যাপ্ত পোহৰ নাথাকে, তেনেহলে জেনেৰেটৰৰ দ্বাৰা উন্নত পোহৰৰ ব্যৱস্থা কৰিব লাগিব।
- ভাল পোহৰৰ বাবে জন্য সংশ্লিষ্ট কোঠাটোৰ ভিতৰতে স্থান পৰিবৰ্তনৰ বিবেচনা কৰিব লাগিব।
- অস্বচ্ছ দেৱাল অথবা বিভাজনৰ বিপৰীত ফালে পটভূমি স্থাপন কৰিব লাগিব।

## মুৰত স্কাৰ্ফ/পাগুৰীৰ বাবে চিত্ৰটো সৰু কৰাৰ ক্ষেত্ৰত অক্ষমতা

- ধৰ্মীয় কাৰণত যদি কোনো সাজসজ্জা থাকে, তেতিয়াহলে মেন্যুৱালী চিত্ৰ উঠোৱাৰ ব্যৱস্থা কৰিব লাগিব।

- অপাৰেটৰ জনে খুবে বিনয়ীভাৱে সংশ্লিষ্ট ব্যক্তিক মুৰৰ পৰা সেই বস্তুটো খুলি থোৱাৰ কথা কব পাৰে।

- যদি তালিকাভুক্ত কৰা ব্যক্তিজনে মহিলা হয়, তেনেহলে এই ক্ষেত্ৰত মহিলা অপাৰেটৰ অথবা মহিলা স্বেচ্ছাসেবীৰ দ্বাৰা এই প্ৰক্ৰিয়া পৰিচালনা কৰাব লাগিব।

## মুৰ/শৰীৰ স্থিৰ আৰু উলম্ব ৰাখিবলৈ অক্ষমতা

- যদি প্ৰয়োজন হয় তেনেহলে সংশ্লিষ্ট ব্যক্তিজনক সহায় কৰিব।

- যদি তালিকাভুক্ত কৰা ব্যক্তিজনে মহিলা হয়, তেনেহলে এই ক্ষেত্ৰত মহিলা অপাৰেটৰ অথবা মহিলা স্বেচ্ছাসেবীৰ দ্বাৰা এই প্ৰক্ৰিয়া পৰিচালনা কৰাব লাগিব।

### ঘটনা

৪২ বছৰ বয়সৰ গীতা দেবী উত্তৰ প্ৰদেশৰ এটা গাওঁৰ বাসিন্দা। তেওঁ দিন মজুৰ কৰা শ্ৰমিক। তালিকাভুক্তকৰণ কেন্দ্ৰলৈ অহাৰ পিছত বায়োমেট্ৰিক তথ্য গ্ৰহণৰ সময়ত তেওঁৰ আঙুলিৰ ছাপৰ মান ভাল হোৱা নাই বুলি লক্ষ্য কৰিছিলে অপাৰেটৰে। অপাৰেটৰজনে গীতা দেবীৰ আঙুলিৰ ছাপ ভালকৈ লোৱাৰ বাবে একাধিকবাৰ প্ৰচেষ্টা চলাইছিলে। যদিও ফলাফল একেই হৈছিল।ইয়াৰ পিছতে মেচিনৰ ওপৰত গীতা দেবীৰ আঙুলিসমূহ স্ফীত কৰাৰ চেষ্টা কৰিছিলে অপাৰেটৰে। ইয়াৰ ফলত তেখেত খুউব ক্ষুব্ধ হৈ উঠিছিলে আৰু অপাৰেটৰৰ বিৰুদ্ধে চিঞৰ -বাখৰ আৰম্ভ কৰিলে।

১. কি ভুল হৈছিল বুলি আপুনি ভাবে?

২. পৰিস্থিতিটো ভালকৈ পৰিচালনা কৰিব পৰা গলেহেঁতেন নে?

## আঙ্গুলিৰ ছাপ লোৱাৰ সময়ত কি ধৰণৰ সমস্যা দেখা দিব পাৰে?

- আঙ্গুলি হেৰোৱা/আঙ্গুলিৰ অঙ্গচ্ছেদ
- আঙ্গুলিৰ ছাপ গ্ৰহণ ভাল মানৰ হোৱা নাই
- আঙ্গুলিবোৰ চিধা কৰিবলৈ অক্ষমতা
- আঙ্গুলিবোৰ ঢাল খোৱা হলে
- মেহেন্দি অথবা আন কোনো পদাৰ্থৰ বাবে হাতত কলা দাগ থাকিলে

## আঙ্গুলি হেৰোৱা/আঙ্গুলিৰ অঙ্গচ্ছেদ

- তালিকাভুক্ত ক্লায়েন্টৰ ভিতৰত বায়োমেট্ৰিক ব্যতিক্ৰম ধৰি ৰাখিব লাগিব

- যদি আৱাসীৰ অতিৰিক্ত আঙ্গুলি থাকে
  - অপাৰেটৰে অতিৰিক্ত আঙ্গুলি উপেক্ষা কৰিব লাগিব
  - বায়োমেট্ৰিক ব্যতিক্ৰম হিচাপত অতিৰিক্ত আঙ্গুলিৰ চিত্ৰ গ্ৰহণ নকৰিব
  - এই ক্ষেত্ৰত, অতিৰিক্ত আঙ্গুলি/আঙ্গুলিবোৰৰ ছাপ গ্ৰহণ উপেক্ষা কৰাৰ বাবে সংশ্লিষ্ট আৱাসীক অপাৰেটৰে সহায় কৰিব লাগিব

## গ্ৰহণ কৰা আঙ্গুলিৰ  ছাপ যদি পচন্দ অনুসৰী নহয়

- যদি একাধিকবাৰৰ প্ৰচেষ্টাতো আঙ্গুলিৰ ছাপ পচন্দ অনুসৰী নহয়, তেতিয়াহলে বিনয়ীভাৱে সংশ্লিষ্ট ব্যক্তিজনক হাত ধুই আহিবলৈ কব লাগিব
- কেন্দ্ৰৰ ভিতৰত তিতা স্পঞ্জ অথবা কাপোৰ ৰাখিব লাগিব
- মেচিনৰ ওপৰত সংশ্লিষ্ট ব্যক্তিক চাপ দিবলৈ কওঁক
- চাপ দিয়াৰ ক্ষেত্ৰত প্ৰথমতে সংশ্লিষ্ট ব্যক্তিজনৰ প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰক
- যদি সফল নহয়, তেতিয়াহলে পৰিষ্কাৰ চিত্ৰ উঠোৱাৰ বাবে তেওঁৰ অনুমতি লৈ তেওঁক সহায় কৰক
- যদি সংশ্লিষ্ট ব্যক্তিজন মহিলা হয় তেনেক্ষেত্ৰত তেওঁক মহিলা পৰিচালক/স্বেচ্ছাসেবীৰ দ্বাৰা সহায় কৰা হৈ আছে নে নাই সেয়া নিশ্চিত কৰক
- আৱাসীৰ বায়োমেট্ৰিক ব্যতিক্ৰম গ্ৰহণ কৰাৰ সময়ত প্ৰচেষ্টাৰ এটা যুক্তিগত সংখ্যা তৈয়াৰী কৰক।
- প্ৰচেষ্টাৰ সংখ্যা চক্টৱেৰৰ মাধ্যমত তৈয়াৰী কৰিব পাৰি

## আঙ্গুলিবোৰ চিধা কৰিবলৈ অক্ষমতা

- সংশ্লিষ্ট ব্যক্তিজনৰ অনুমতি লওঁক। তাৰপিছত আঙ্গুলিৰ চিত্ৰ গ্ৰহণ কৰিবলৈ তেওঁক সহায় কৰক।
- যদি সফল নহয়, তেতিয়াহলে মেচিনৰ ওপৰত হাত চিধা কৰাৰ বাবে সংশ্লিষ্ট ব্যক্তিগৰাকীক কিছু সময় দিয়াৰ চেষ্টা কৰক।
- যদি সংশ্লিষ্ট ব্যক্তিগৰাকী সফল হয় তেনেহলে আন এটা হাতৰ আঙ্গুলি অথবা দুই হাতৰ বুঢ়া আঙ্গুলিৰ ছাপ লোৱাৰ পদক্ষেপ গ্ৰহণ কৰক।

## মেহেন্দি অথবা আন কোনো পদাৰ্থৰ বাবে যদি হাতত কলা দাগ অথবা ৰেখাৰ সেতুবন্ধ থাকে

- মেনুৱেলি গ্ৰহণ কৰাৰ চেষ্টা কৰক।
- যি আঙ্গুলিসমূহত কলা দাগ অথবা ৰেখাৰ সেতুবন্ধ নাই সেইসমূহ আঙ্গুলিৰ ছাপ লোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰক।
- যদি আৱাসীৰ হাতত মেহেন্দি লগোৱা থাকে, তেনেহলে আঙ্গুলিৰ ছাপ গ্ৰহণ কৰাৰ আগতে তেওঁক হাত ধুই আহিবলৈ অনুৰোধ জনাওক।

## মহিলা আৱাসীসকলৰ প্ৰতি সংবেদনশীল হওঁক

- যদি আঙুলীৰ ছাপ লোৱাৰ সময়ত সংশ্লিষ্ট মহিলাজনে পৰ্যাপ্ত চাপ দিব নোৱাৰে তেতিয়াহলে আপুনি কি কৰিব:
  - মহিলা স্বেচ্ছাসেৱীৰ সহায় লওঁক
  - মহিলাগৰাকীৰ হাতত ফোম (তালিকাভুক্ত কেন্দ্ৰত ৰাখিব লাগিব) লগাওঁক আৰু তাৰপিছত চাপ দিবলৈ কওঁক

## অসমান্তৰাল / বিচলিত চকু

- যদি এবাৰত একেলগে দুটা চকুৰ মণিবলয়ৰ চিত্ৰ গ্ৰহণ কৰা নাযায়, তেতিয়াহলে এটা চকুৰ মণিবলয় স্কেনাৰ ডিভাইচ ব্যৱহাৰ কৰিব পাৰিব
- যদি এটা চকুৰ মণিবলয় স্কেনাৰ ডিভাইচ নাথাকে, তেতিয়াহলে অপাৰেটৰে দুই চকুৰ ডিভাইচ ব্যৱহাৰ কৰি এটা চকুৰ মণিবলয় সঠিকভাৱে গ্ৰহণ কৰিব পাৰে

## সঠিকভাৱে চকু খুলিবলৈ অক্ষম

- দুটা চকু সঠিকভাৱে খোলাৰ ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তিক পৰিচালনা কৰক।
- নিজৰ হাত দি সংশ্লিষ্ট ব্যক্তিজনক চকু খুলিবলৈ সহায় কৰক।
- যদি মহিলা আৱাসী হয় তেনেহলে এই ক্ষেত্ৰত মহিলা স্বেচ্ছাসেৱীৰ সহায় লওঁক।

## জাতিগত ব্যতিক্ৰম

- ফটো লোৱাৰ সময়ত সংশ্লিষ্ট আৱাসীজনে অসুস্থ অথবা বাৰ্ধক্যজনিত কাৰণত সঠিকভাৱে অঙ্গবিন্যাস কৰিবলৈ অক্ষম হব পাৰে।
- এই ক্ষেত্ৰত সা-সজুঁলি ঘুৰাই ঘুৰাই সংশ্লিষ্ট ব্যক্তিজনৰ বায়োমেট্ৰিক তথ্য গ্ৰহণৰ ব্যৱস্থা কৰিব লাগিব অপাৰেটৰজনক।

## ব্যতিক্ৰমসমূহ পৰিচালনা কৰাৰ সময়ত

## অধিবাসীৰ আত্মবিশ্বাস বৃদ্ধি কৰক !

## অধিবাসিৰ আত্মবিশ্বাস বৃদ্ধি

- অধিবাসীসকলৰ লগত বিনয়ী হওঁক

- শাৰীৰিভাৱে অক্ষমসকলৰ প্ৰতি সংবেদনশীল হওঁক
- যেতিয়াই প্ৰয়োজন হ'ব তেতিয়াই সহায় কৰক।
- তথ্য গ্ৰহণ কৰাৰ ক্ষেত্ৰত অধিবাসীৰ ব্যতিক্ৰম একো সমস্যাৰ সৃষ্টি নকৰে বুলি আশ্বস্ত কৰক
- এই সম্পৰ্কত কোনো তথ্য যদি অধিবাসীজনে জানিব বিচাৰে তেনেহলে সেয়া ব্যাখ্যা কৰক

## নন-বায়'মেট্ৰিক ডিভাইচসমূহ

নন-বায়'মেট্ৰিক ডিভাইচসমূহ হৈছে কম্পিউটাৰ, প্ৰিন্টাৰ, স্কেনাৰ,ফটোকপিয়াৰ, বাৰকোড ৰীডাৰ আৰু সঞ্চয় কৰা ডিভাইচসমূহ যেনে চিডি, ডিভিডি, হাৰ্ড ডিস্ক আৰু পেন ড্ৰাইভ। ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰিবৰ কাৰণে কম্পিউটাৰত আধাৰ গ্ৰাহক নামভুক্তিৰ চক্টৱেৰ ইনষ্টল কৰা হয়। হাতৰ আঙ্গুলিৰ ছাপ স্কেনাৰ, চকুৰ মণিবলয়ৰ ফটো তোলা ডিভাইচ আৰু ডিজিটেল কেমেৰাৰ দৰে বায়'মেট্ৰিক ডিভাইচসমূহ ইউএচবি প'ৰ্টৰ জৰিয়তে কম্পিউটাৰৰ সৈতে সংযোগ কৰা হয়। বায়'মেট্ৰিক উপকৰণ ব্যৱহাৰ কৰি সংগ্ৰহ কৰা তথ্যবোৰ কম্পিউটাৰত জমা কৰা হয়। তাৰ পিছত এই তথ্য নথিভুক্তি কেন্দ্ৰৰ পৰা কেন্দ্ৰীয় পৰিচয় তথ্য ভৰাল (CIDR) লৈ প্ৰেৰণ কৰা হয়।

## কম্পিউটাৰ

২ ধৰণৰ কম্পিউটাৰ নথিভুক্তকৰণ কেন্দ্ৰত ব্যৱহৃত হয়। সেইবিলাক হ'ল

- ডেস্কটপ
- লেপটপ


এইটো অধিবাসীৰ জনসংখ্যা সম্পৰ্কীয় তথ্য যিটো অধিবাসীৰ বায়'মেট্ৰিক তথ্যৰ সংযোগৰ বাবে ব্যৱহৃত হয়। ইয়াক যেতিয়ালৈকে চি আই ডি আৰ লৈ তথ্য স্থানান্তৰ কৰা নহয় তেতিয়ালৈ অস্থায়ীভাৱে জমা কৰি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা হয়।

### ডেস্কটপ

ডেস্কটপ কম্পিউটাৰ স্থায়ীভাৱে স্থাপিত কৰিবৰ বাবে উপযোগী, য'ত মেচিনটো সঘনাই স্থানান্তৰণ কৰিবৰ দৰকাৰ নহয়।

ই কিছুমান আছুতীয়া এককৰ দ্বাৰা গঠিত

- বিজুলী যোগান এককৰ সৈতে কেবিনেট, মাদাৰ-বোৰ্ড, সঞ্চয় কৰা সজুঁলি
- ভিডিও দেখুওৱা যন্ত্ৰ বা মণিটৰ
- কী-বৰ্ড
- মাউচ





**চিত্ৰ ২২: ডেস্কটপ কম্পিউটাৰ**

## লেপটপ

এটা লেপটপৰ কাৰ্য্যকলাপ এটা ডেস্কটপ কম্পিউটাৰৰ দৰেই, কিন্তু এইটো জটিল, কম ওজনৰ আৰু যি কোনো ঠাইত সহজতে ব্যাৱহাৰ কৰিব সুবিধাজনক। লেপটপে বিজুলী ইয়াৰ ভিতৰত থকা ৰিচাৰ্জ কৰিব পৰা বেটাৰীৰ পৰা পায়। গতিকে বাহিৰা বিজুলীৰ উৎস নাথাকিলেও লেপটপ ব্যৱহাৰ কৰিব পাৰি।




**চিত্ৰ ২৩: লেপটপ কম্পিউটাৰ**




**চিত্ৰ ২৪: সাধাৰণ সংযোগী**




**চিত্ৰ ২৫: লেপটপ চাৰ্জাৰ**

## ছফ্টৱেৰ

হাৰ্ডৱেৰ আৰু ছফ্টৱেৰৰ দ্বাৰা এটা কম্পিউটাৰ গঠিত হয়। সাধাৰণতে তলত উল্লেখ কৰা ছফ্টৱেৰবোৰ এটা কম্পিউটাৰত অন্তৰ্ভুক্ত কৰা হয়।

**অপাৰেটিং চিষ্টেম (ওএচ)** – ই হাৰ্ডৱেৰ পৰিচালনা কৰে আৰু ব্যৱহাৰকাৰীৰ পৰা মেচিনৰ জটিলতা লুকাই ৰাখে। ব্যৱহাৰকাৰীয়ে কম্পিউটাৰৰ সৈতে পোনপোটীয়কৈ নাইবা ছফ্টৱেৰৰ (যেনে আধাৰ নথিভুক্ত ক্লায়েন্ট ছফ্টওৱেৰ) মাধ্যমত যোগাযোগ কৰিব পাৰে, যিটো অপাৰেটিং চিষ্টেমে দ্বাৰা উপলব্ধ কৰা ব্যৱহাৰ কৰা সেৱাত ৰূপান্তৰ হয়।

**উদাহৰণ** – উইনডোজ XP, উইনডোজ Vista, উইনডোজ7 , ইউনিক্স , মেক ওএচ।

**এন্টিভাইৰাছ** - ভাইৰাছে সাধাৰণ কাম কিছুমান কৰাত কম্পিউটাৰত আমনি দিয়ে। এইবোৰে কম্পিউটাৰৰ কামবোৰ কৰাত লেহেমীয়া কৰে আৰু তথ্য নষ্ট কৰি কম্পিউটাৰত জমা কৰি ৰখা সকলো বস্তু ধ্বংস কৰে (অব্যৱহৃত)। এনেকুৱা ধৰণৰ ভাইৰাছে যাতে পদ্ধতিটো অকামিলা কৰিব নোৱাৰে তাৰ বাবে এন্টিভাইৰাছ ছফ্টৱেৰ ব্যৱহাৰ কৰা হয়।

**উদাহৰণ** –মেকাফি, চাইমেনটেক, কুইক হিল।

**এন্টি স্পাম** – স্পাম হ'ল নিবিচৰা কিছুমান খবৰ যিবিলাক কম্পিউটাৰটো ইন্টাৰনেটৰ লগত সংযোগ কৰিলে আহে। স্পামে নামভুক্তিকৰণ কেন্দ্ৰত নামভুক্তিকৰণ প্ৰক্ৰিয়া লেহেমীয়া কৰে।

**উদাহৰণ** – মেকাফি এন্টি স্পাম, কোমোদো।

**এপ্লিকেছন ছফ্টৱেৰ** - কম্পিউটাৰে আমাৰ ভাষা বুজি নাপায় ইয়াৰ নিজস্ব ভাষা আছে। এপ্লিকেছন ছফ্টৱেৰ ব্যৱহাৰকাৰী আৰু কম্পিউটাৰৰ মাজত এখন সাকোঁ হিচাপে কাম কৰে। ইয়াক কিছুমান নিৰ্দিষ্ট কামৰ বাবেহে বিন্যস্ত কৰা হৈছে।

**উদাহৰণ** – এম এচ ওৱাৰ্ড, এম এচ পাৱাৰপইন্ট,আধাৰ নামভুক্তকৰণ ক্লায়েন্ট ছফ্টৱেৰ।

## প্ৰিন্টাৰ

প্ৰিন্টাৰ হ'ল কম্পিউটাৰৰ লগত সংযুক্ত এটা পৰিধিযুক্ত সজুঁলি আৰু ইয়াক কাগজত প্ৰতিলিপিটো বা হাৰ্ডকপি (যাক স্থায়ীভাৱে পঢ়িব পাৰি) টো বাহিৰ কৰি উলিয়াবলৈ ব্যৱহাৰ কৰা হয়। সাধাৰণতে ইউ এচ বি তাঁৰৰ দ্বাৰা প্ৰিন্টাৰটো কম্পিউটাৰৰ লগত সংযোগ হৈ থাকে। বাহিৰৰ এডাল বৈদ্যুতিক তাৰৰ পৰা প্ৰিন্টাৰটোত বিজুলী যোগান ধৰা হয়।

তলৰ চিত্ৰ-২৬ যে প্ৰিন্টাৰৰ বিভিন্ন অংশবোৰ দেখুৱাইছে।




**চিত্ৰ ২৬: প্ৰিন্টাৰ**

প্ৰিন্টাৰ স্বীকাৰোক্তিনামা (নথিভুক্তকাৰীৰ প্ৰতিলিপি) আৰু সকলো নথিভুক্তকৰণ প্ৰক্ৰিয়াৰ শেষত নথিভুক্তকৰণৰ নামৰ (অফিচৰ প্ৰতিলিপি) বাবে সন্মতি প্ৰিন্ট কৰাত ব্যৱহাৰ কৰা হয়।

# তালিকাভুক্তিকৰণ অপাৰেটৰে কৰিবলগীয়া আৰু নকৰিবলগীয়া

## কৰিবলগীয়া-এবাৰ কৰিবলগীয়া কাৰ্য্য

- ✓ আধাৰ **তালিকাভুক্তিকৰণ** হ'ব লাগিব আৰু আধাৰ নম্বৰ পাব লাগিব
- ✓ পৰীক্ষা দিবলৈ আৰু **প্ৰমাণপত্ৰ** পাবৰ বাবে ইউআইডিএআই-ৰ দ্বাৰা নিয়োজিত তালিকাভুক্তিকৰণ সংস্থাৰ সৈতে পঞ্জীয়ন কৰক।
- ✓ অনন্য অপাৰেটৰ আইডি তালিকাভুক্তিকৰণ সংস্থাৰ দ্বাৰা ব্যৱহাৰ কৰি **সক্ৰিয়** হওঁক
- ✓ আধাৰ ক্লায়েন্ট চফটৱেৰত আপোনাৰ বায়'মেট্ৰিক তথ্য প্ৰদান কৰি অন-বোৰ্ডেড (নথিভুক্ত) লাভ কৰক।

## কৰিবলগীয়া- দিনৰ আৰম্ভণি

- ✓ নিজৰ অপাৰেটৰ আইডি আৰু আঙুলিৰ ছাপ দি লগইন কৰক
- ✓ লগইন কৰাৰ পিছত, কম্পিউটাৰত যি **তাৰিখ আৰু সময়** উল্লেখ কৰা আছে সেয়া বৰ্তমানৰ হয় নে নহয় সেইটো নিশ্চিত কৰক
- ✓ লগইন কৰাৰ পিছত প্ৰিন্টাৰ, বায়োমেট্ৰিক ডিভাইস আদিৰ সংযোগ সঠিকভাৱে কৰা হৈছে নে নাই সেয়া নিশ্চিত কৰিবলৈ ফুটাৰ এৰিয়া পৰীক্ষা কৰক যেনে বাওঁ ফালৰ তলৰ কোণৰ আইকন।
- ✓ **শেষ সিঙ্ক**-ৰ লগইন সময় সদায় দেখা গৈ আছে নে নাই তাৰ বাবে পপ আপ বাৰ্তা পৰীক্ষা কৰক আৰু **এক্সপোৰ্টৰ বাবে কিমান সময় বাকি আছে** সেয়া ইএ চুপাৰভাইজাৰক সময়ত জনাওঁক
- ✓ ২৪ ঘন্টাৰ ভিতৰত এবাৰ হলেও জিপিএচ সমন্বয়ক লিপিবদ্ধ কৰক
- ✓ নিজৰ আসনৰ পৰা উঠি দূৰত যাওঁতে এপ্লিকেশন লগঅফ কৰক

## কৰিবলগীয়া - তালিকাভুক্তিকৰণৰ সময়ত

- ✓ তালিকাভুক্তৰ কাম কৰাৰ সময়ত নথিপত্ৰসমূহ এটা ট্ৰে-ত ৰাখক আৰু সেইবোৰ ভাঁজ নকৰিব
- ✓ অধিবাসীৰ তালিকাভুক্তি ফৰ্ম ইতিমধ্যে পৰীক্ষা কৰা হৈছে (পৰীক্ষাকাৰীৰ চহী/বুঢ়া আঙুলিৰ ছাপ আৰু স্টাম্প/আদ্যক্ষৰ)নে নাই সেয়া পৰীক্ষা কৰক
- ✓ তালিকাভুক্তি ফৰ্মত অধিবাসীৰ চহী/বুঢ়া আঙুলিৰ ছাপ থাকিব লাগিব
- ✓ যদি প্ৰচাৰক/এইচওএফ-ৰ ওপৰত ভিত্তি কৰি তালিকাভুক্ত কৰা হয়, তেনেহলে ফৰ্মত সেই প্ৰচাৰক/এইচওএফ-ৰ চহী/বুঢ়া আঙুলিৰ ছাপ আৰু সিহঁতৰ বিবৰণ আছে নে নাই সেয়া পৰীক্ষা কৰক
- ✓ অধিবাসীজনে যেন স্বাচ্ছন্দ্যবোধ কৰে
- ✓ তালিকাভুক্তিৰ সময়ত অধিবাসীৰ স্ক্ৰীণ সদায় **অন** আছে নে নাই সেয়া নিশ্চিত কৰিব লাগিব আৰু তথ্য প্ৰবেশ কৰোৱাৰ সময়ত সংশ্লিষ্ট অধিবাসীয়ে যেন সেইটো ভালদৰে পৰীক্ষা কৰে সেই কথা তেওঁক কব লাগিব
- ✓ চফটৱেৰ ক্লায়েন্টৰ স্ক্ৰীণত উপলব্ধ তথ্য গ্ৰহণৰ ক্ৰম অনুসৰণ কৰক
- ✓ নথিভুক্ত ফৰ্মত যদি কোনো সংশোধনৰ প্ৰয়োজন হয় অথবা নথিভুক্ত ফৰ্মত অধিবাসীয়ে যদি তথ্যৰ কিবা পৰিবৰ্তন কৰিব বিচাৰে তেনেহলে লগে লগে সেই কথা ৰেজিষ্ট্ৰাৰক জনাওঁক

## কৰিবলগীয়া - ডেম'গ্ৰাফিক তথ্য সংগ্ৰহৰ সময়ত

- ✓ পৰীক্ষাকৃত তালিকাভুক্ত ফৰ্মৰ পৰা **সকলো** বায়োমেট্ৰিক তথ্য উল্লেখ কৰক
- ✓ বানান, স্পেস, যতি চিহ্ন, ডাঙৰ আৰু সৰু হাতৰ অক্ষৰ আদি কেইবাৰমান পৰীক্ষা কৰক
- ✓ **অক্ষৰীকৰণৰ ত্ৰুটি পৰীক্ষা আৰু সংশোধন কৰক, যেনে বানানৰ ভুল আদি, যদি তেনে কিবা থাকে**

- ✓ প্ৰাক-তালিকাভুক্তি তথ্যৰ বাবে, অধিবাসীৰ দ্বাৰা তালিকাভুক্তি ফৰ্মত উল্লেখিত বিৱৰণ নিশ্চিতকৰণৰ পিছত প্ৰাক-তালিকাভুক্তি আইডি ব্যৱহাৰ কৰি তথ্য উদ্ধাৰ কৰা হৈছে নে নাই সেয়া নিশ্চিত কৰক
- ✓ পৰীক্ষাকৃত তালিকাভুক্তি ফৰ্মৰ বিৱৰণ অনুসৰি প্ৰাক-তালিকাভুক্ত তথ্য পৰীক্ষা আৰু সংশোধন কৰক
- ✓ যদি সাময়িকভাৱে চকু অথবা আঙ্গুলি আঘাতপ্ৰাপ্ত হয়, তেনেহলে সেয়া উল্লেখ কৰি থওঁক। সংশ্লিষ্ট ব্যক্তিজনক পিছত তেওঁৰ বায়োমেট্ৰিক তথ্য দি যাবলৈ কওঁক
- ✓ বায়োমেট্ৰিক ব্যতিক্ৰম পৰীক্ষা কৰাৰ সময়ত সহানুভূতিশীল আৰু নম্ৰ আচৰণ কৰিব কিন্তু নিজৰ স্থানত অটল থাকিব

## কৰিবলগীয়া- তথ্যসূত্ৰ আৰু বেঙ্কৰ তথ্য সংগ্ৰহত

- ✓ যদি নথিপত্ৰৰ ওপৰত ভিত্তি কৰি পৰীক্ষা কৰা হয় তেনেহলে সদায় সেই নথিৰ নাম নিৰ্বাচন কৰিব
- ✓ অধিবাসীৰ দ্বাৰা মুঠ কিমান নথি জমা কৰা হৈছে সেয়া সদায় উল্লেখ কৰিব

## কৰিবলগীয়া - বায়'মেট্ৰিক তথ্য সংগ্ৰহৰ সময়ত

- ✓ বায়'মেট্ৰিক তথ্য সংগ্ৰহৰ সময়ত আৱাসীক সহায় আৰু উৎসাহ যোগাওক

## কৰিবলগীয়া- ছবি সংগ্ৰহৰ সময়ত

- ✓ পশ্চাৎপট **বগা** আছে নে নাই সেয়া নিশ্চিত কৰক
- ✓ ব্যৱহৃত কেমেৰাটোত **স্বয়ংক্ৰিয় ফোকাচ** আৰু **স্বয়ংক্ৰিয় ক্যাপচাৰ** কৰাৰ ব্যৱস্থা আছে নে নাই সেয়া নিশ্চিত কৰক
- ✓ সংশ্লিষ্ট ব্যক্তিজনৰ মুখৰ চিত্ৰ **স্বাভাবিক** (হাঁহি থকা নহয়) **প্ৰকাশভঙ্গি** অবস্থাত তোলক, দাঁত বন্ধ, আৰু দুই চকু খোলা ৰাখিব লাগিব লগতে কেমেৰাৰ পিনে চাব লাগিব
- ✓ যদি মুখৰ চিত্ৰ তোলা ব্যৰ্থ হয়, তেনেহলে **কোৱালিটি ডিটেইলচ** আইকণ ব্যৱহাৰ কৰি **অ্যাকছনেবল ফিডব্যাক** পৰীক্ষা কৰিব লাগিব
- ✓ মুখৰ চিত্ৰ তোলা সম্পূৰ্ণ হোৱাৰ পিছত টেবুলৰ লাইট বন্ধ কৰক
- ✓ যদি অধিবাসী শিশু হয় তেনেহলে স্ক্ৰীণত তাৰ মুখ দেখাৰ ক্ষেত্ৰত খেলিমেলিৰ সৃষ্টি হব পাৰে। এই ক্ষেত্ৰত অধিবাসীৰ মুখমণ্ডল পৰ্যালোচনা কৰাৰ স্ক্ৰীণৰ সুইচ বন্ধ কৰিব পাৰে

## কৰিবলগীয়া- আঙ্গুলিৰ ছাপ লোৱাৰ সময়ত

- ✓ মনত ৰাখিব ৫ বছৰ আৰু তাৰ বেছি বয়সৰ প্ৰত্যেক অধিবাসীৰ আঙ্গুলিৰ ছাপ লোৱাটো **বাধ্যতামূলক**
- ✓ আঙ্গুলিৰ ছাপ লোৱাৰ পিছত প্ৰতিবাৰ মেচিন পৰিষ্কাৰ কৰক
- ✓ সময় মতে পাতল কোমল কাপোৰ দি ফিঙ্গাৰপ্ৰিন্ট ডিভাইচৰ মূল **মেচিনটো পৰিষ্কাৰ** কৰিব
- ✓ যদি গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া ব্যৰ্থ হয়, তেনেহলে **কোৱালিটি ডিটেইলচ** আইকণ ব্যৱহাৰ কৰি **অ্যাকছনেবল ফিডব্যাক** পৰীক্ষা কৰক
- ✓ থিয় হোৱা অবস্থাত আঙ্গুলিৰ ছাপ ভাল আহে গতিকে অধিবাসীক আঙ্গুলিৰ ছাপ দিয়াৰ সময়ত থিয় হবলৈ কওঁক
- ✓ যদি অধিবাসীৰ অতিৰিক্ত আঙ্গুলি থাকে, তেনেহলে অতিৰিক্ত আঙ্গুলি বাদ দি প্ৰধান পাঁচটা আঙ্গুলিৰ ছাপ গ্ৰহণ কৰক
- ✓ যদি মেহেন্দি অথবা আন কোনো পদাৰ্থৰ বাবে ক'লা হৈ থাকে, তেনেহলে স্বাভাবিক অবস্থাত আঙ্গুলিৰ ছাপ গ্ৰহণ কৰিব
- ✓ যদি আঙ্গুলিত কোনো চিত্ৰ থাকে, তেনেহলে স্বাভাবিক অবস্থাত আঙ্গুলিৰ ছাপ গ্ৰহণ কৰিব লাগিব। অধিবাসীক তেওঁৰ হাত পৰিষ্কাৰ কৰি আহিবলৈ কব
- ✓ প্ৰয়োজনত যদি অধিবাসীৰ হাত পৰিষ্কাৰ কৰিব লাগে তেনেহলে কাপোৰৰ এটা ভিজা আৰু শুকান টুকৰা ৰাখিব

## কৰিবলগীয়া- চকুৰ মণিৰ চিত্ৰ সংগ্ৰহৰ সময়ত

- ✓ মনত ৰাখিব ৫ বছৰ আৰু তাৰ *বেছি* বয়সৰ অধীবাসীৰ বাবে চকুৰ *মণিবলয়ৰ* চিত্ৰ গ্ৰহণ কৰাটো **বাধ্যতামূলক**
- ✓ চকুৰ *মণিবলয়ৰ* চিত্ৰ গ্ৰহণ কৰাৰ ডিভাইচ *আপুনি* নিজে ব্যৱহাৰ কৰিব, অধিবাসীক ব্যৱহাৰ কৰিব নিদিব
- ✓ শিশু আৰু অন্যান্য শঙ্কিত অধিবাসীসকলক কওঁক যে সাধাৰণ ফটো তোলাৰ দৰে চকুৰ *মণিবলয়ৰ* চিত্ৰ স্কেন কৰাটোও এটা সহজ আৰু নিৰাপদ প্ৰক্ৰিয়া
- ✓ সংশ্লিষ্ট ব্যক্তিৰ *চকুত* পোনপোটীয়া অথবা কৃত্ৰিম পোহৰৰ প্ৰতিফলন যেন নপৰে সেয়া নিশ্চিত কৰক
- ✓ স্থিৰভাৱে ডিভাইচটো ধৰক। যদি ডিভাইচটো ধৰাৰ বাবে সংশ্লিষ্ট ব্যক্তিজনৰ প্ৰয়োজন হয়, তেনেহলে তেওঁ যাতে স্থিৰভাৱে ডিভাইচটো ধৰিব পাৰে তাৰ বাবে তেওঁক সহায় কৰক
- ✓ যদি অধিবাসীৰ চকুৰ *মণিবলয়ৰ* চিত্ৰ স্কেন কৰাৰ ক্ষেত্ৰত প্ৰথমবাৰ কোনো ত্ৰুটি হয় আৰু দ্বিতীয়বাৰ গ্ৰহণ কৰাৰ প্ৰয়োজন হয়, তেনেহলে অন্য বিৱৰণ গ্ৰহণ কৰাৰ পৰবৰ্তী স্ক্ৰীণত গুচি যাওঁক। ইয়াৰ পিছত পুনৰায় ঘূৰি আহি চকুৰ মণিৰ চিত্ৰ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰক। ইয়াৰ ফলত অধিবাসীজনৰ চকুৰ *ওপৰত পৰা চাপ* কমিব।
- ✓ চকুৰ মণিৰ চিত্ৰ গ্ৰহণ কৰাৰ সময়ত ধৈৰ্য ধৰিব লাগিব আৰু স্ক্ৰীণৰ *ওপৰত* ডিভাইচটো সক্ৰিয় হোৱালৈকে অপেক্ষা কৰক
- ✓ যদি গ্ৰহণ কৰা ব্যৰ্থ হয়, তেনেহলে ***কোৱালিটি* ডিটেইলচ** আইকণ ব্যৱহাৰ কৰি **অ্যাকছনেবল ফিডব্যাক** পৰীক্ষা কৰক

## কৰিবলগীয়া - পৰ্যবেক্ষণ, নিশ্চিতকৰণ আৰু মুদ্ৰণৰ সময়ত

- ✓ তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়া সম্পূৰ্ণকৰণ পৰীক্ষাৰ বাবে স্ক্ৰীণৰ ওপৰৰ বাৰত ৰং (ৰঙা/সেউজিয়া/কমলা) পৰীক্ষা কৰক।
- ✓ অধিবাসীৰ দিয়া তথ্যসমূহ মনিটৰত **পৰ্যবেক্ষণ আৰু পৰীক্ষা** কৰাৰ বাবে সংশ্লিষ্ট অধিবাসীক কওঁক
- ✓ যদি অধিবাসীজন অন্ধ হয় অথবা পঢ়িব নাজানে অথবা যদি প্ৰয়োজন হয় তেনেহলে স্ক্ৰীণৰ ওপৰত **লেখাসমূহ পঢ়ি দিয়ক**
- ✓ যদি কোনো ত্ৰুটি থাকে, তেনেহলে সঞ্চিত তথ্যসমূহ সংশোধন কৰক আৰু অধিবাসীৰ লগত পুনৰায় পৰ্যালোচনা কৰক
- ✓ যদি অধিবাসীৰ বায়োমেট্ৰিক ব্যতিক্ৰম থাকে তেনেহলে চুপাৰভাইজাৰৰ চহী লওঁক
- ✓ যদি প্ৰচাৰক/এইচওএফ-ৰ ওপৰচ ভিত্তি কৰি পৰীক্ষা কৰা হয়, তেনেহলে প্ৰচাৰক/এইচওএফ-ৰ চহী লওঁক
- ✓ তালিকাভুক্তিৰ বাবে সম্মতিপত্ৰৰ ওপৰচ অধিবাসীৰ **চহী** অথবা **বুঢ়া আঙুলিৰ ছাপ** লওঁক
- ✓ যদি অধিবাসী ৫ বছৰৰ তলত হয়, তেনেহলে ছস্টৱেৰত যি শিশুৰ তালিকাভুক্তিৰ আইডি সংৰক্ষণ কৰা হৈছে সেই শিশুৰ দেউতা/মা/অভিভাবকৰ চহী/বুঢ়া আঙুলিৰ ছাপ সম্মতিপত্ৰত লব লাগিব
- ✓ যদি অধিবাসী প্ৰচাৰক হয়, তেনেহলে সংশ্লিষ্ট অধিবাসীৰ সম্মতিপত্ৰত সেই প্ৰচাৰকৰ চহী/বুঢ়া আঙুলিৰ ছাপ সম্মতিপত্ৰত লব লাগিব
- ✓ স্বীকৃতিপত্ৰত **চহী** আৰু চিল লগাওক।অধিবাসীক স্বীকৃতিপত্ৰ (অধিবাসীৰ কপি) দিয়ক।
- ✓ আৱাসীক স্বীকৃতিপত্ৰ দিয়াৰ সময়ত, **জনাওক**-
  - স্বীকৃতিপত্ৰৰ ওপৰত তালিকাভুক্তিৰ যি নম্বৰ প্ৰিন্ট কৰা আছে সেয়া আধাৰ নম্বৰ **নহয়** আৰু অধিবাসীৰ আধাৰ নম্বৰ পৰবৰ্তী সময়ত চিঠিৰ মাধ্যমত দিয়া হব। এই বাৰ্তা স্বীকৃতিপত্ৰটোতো প্ৰিন্ট কৰা থাকিব
  - ভৱিষ্যতৰ উদ্ধৃতিৰ বাবে আৱাসীয়ে তেওঁৰ নিজৰ লগতে সন্তানৰ স্বীকৃতিপ্ৰাপ্তিৰ ৰচিদখন ভালদৰে ৰাখিব লাগিব।
  - আৱাসীৰ তথ্য শুধৰণিৰ বাবে **৯৬** ঘন্টা সময় থাকে সেয়ে এই সময়ৰ ভিতৰত আৱাসীয়ে তথ্য সংশোধনৰ সুবিধা পাব।
  - আধাৰ সৃষ্টিৰ **অৱস্থান** জানিবলৈ তেওঁলোকে কল চেন্টাৰত কল কৰিব বা ই-আধাৰ পোৰ্টেল/আধাৰ পৰ্টেল/ৱেবচাইটত লগঅন কৰিব পাৰে।
  - আধাৰ নম্বৰ পোষ্টঅফিচ বা আন মনোনীত সংস্থাৰ জৰিয়তে তালিকাভুক্তিকৰণৰ সময়ত দিয়া ঠিকনাত আহিব।

## কৰিবলগীয়া- নথি ব্যৱস্থাপনাৰ সময়ত

- ✓ নথিভুক্তিকৰণ সম্পন্ন হোৱাৰ পিছত ত৷ক্ষণাত সকলোবোৰ নথি সংগ্ৰহ কৰক আৰু বাওঁফালৰ কোণত ***ষ্টেপল*** কৰক। নিশ্চিত কৰক এজন আৱাসীৰ নথিভুক্তিকৰণ ফৰ্মখন ওপৰত থকাকৈ সকলোবোৰ নথি যাতে **একেলগে বন্ধা** থাকে। নিশ্চিত কৰক যাতে এটা সংহতিত থকা সকলোবোৰ নথি এজন আৱাসীৰেই হয়।

- ✓ নথিসমূহ সঠিক বাকচত ভাঁজ নোহোৱাকৈ আৰু অত্যধীক থুপ নোখোৱাকৈ মজুত কৰক।
- ✓ নথিবোৰত প্ৰত্যক্ষভাৱে সূৰ্যৰ পোহৰ, জ্বলনশীল দ্ৰব্য, ধূলি আৰু পানী পৰাৰ পৰা দূৰত ৰাখক। প্ৰাকৃতিক দুৰ্যোগৰ পৰা সুৰক্ষিত কৰিবলৈ নথিসমূহ **প্লাষ্টিকৰ আৱৰণ** দি ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে।
- ✓ **নথিত লিখাটো পৰিহাৰ কৰক।** পিছৰ পৰ্যায়ত ইয়াৰ পৰা অসুবিধা হ'ব পাৰে।
- ✓ ৰচি বা পেকিং টেপৰ সহায়ত নথিসমূহ প্ৰত্যক্ষভাৱে বন্ধাটো পৰিহাৰ কৰক। ইয়াৰ ফলত নথিবোৰ চিৰস্থায়ীভাৱে নষ্ট হ'ব। যদি বন্ধাটো অপৰিহাৰ্য হয় PET ফিতা ব্যৱহাৰ কৰক।
- ✓ নথিবোৰ **নথি ভুক্তিকৰণ ক্ৰম *অনুসৰি*** সজাওক।
- ✓ নথিভুক্তিকৰণ কৰা নথিবোৰ সাৱধানেৰে ব্যৱহাৰ কৰক আৰু নষ্ট হোৱা আৰু চুৰি হোৱাৰ পৰা সুৰক্ষিত কৰক।
- ✓ নথিবোৰ চুপাৰভাইজাৰ/আন নিৰ্ধাৰিত কৰ্তৃপক্ষক দিনৰ শেষত প্ৰদান কৰাটো নিশ্চিত কৰক।

## কৰিবলগীয়া – নথি ব্যৱস্থাপনাৰ সময়ত (যেতিয়া স্কেনিং প্ৰক্ৰিয়া আৰম্ভ হয়)

- ✓ প্ৰতিখন **মূল** নথি স্কেন কৰক
- ✓ নথিৰ প্ৰয়োজনীয় অংশ ভালদৰে **দৃশ্যমান** হোৱাটো নিশ্চিত কৰি নথিৰ পৃষ্ঠা এটাৰ ওপৰত আনটো যেন লাগি নাথাকে সেয়া নিশ্চিত কৰক।
- ✓ এবাৰ নথিৰ সকলোবোৰ পৃষ্ঠা স্কেন হৈ গলে, স্কেন হোৱা পৃষ্ঠাৰ সংখ্যা **পৰীক্ষা** কৰক আৰু লগতে সকলোবোৰ পৃষ্ঠা স্কেন হোৱাটো নিশ্চিত কৰক।
- ✓ আৱাসীক সকলোবোৰ মূল নথি আৰু নথিভুক্তিকৰণ ফৰ্মখন ঘূৰাই দিয়ক।

# নকৰিবলগীয়া

- ✗ নথিভুক্তিকৰণৰ বাবে আৱাসীৰ পৰা কোনো টকা-পইচা নিবিচাৰিব।
- ✗ আৱাসীৰ পৰিবৰ্তে আন কোনো লোকক তেওঁৰ বিকল্প হিচাবে অনুমতি নিদিব।
- ✗ ডেম'গ্ৰাফিক অংশত নাম আদি ভৰাওঁতে *Mr, Miss, Mrs, Major, Retd* আদিৰ দৰে অভিবাদন বা উপাধী ব্যৱহাৰ নকৰিব।
- ✗ অনাৱশ্যকীয় খালী ঠাই, বিৰাম চিহ্ন আৰু ডাঙৰ হাতৰ আখৰ অনাৱশ্যকীয়ভাৱে ব্যৱহাৰ নকৰিব।
- ✗ আৱাসীয়ে য'ত কোনো তথ্য যোগান ধৰা নাই সেই স্থানত *N/A, NA* আদি নিলিখি সেই অবাধ্যতামূলক ক্ষেত্ৰসমূহ খালী ৰাখক।
- ✗ য'ত বায়'মেট্ৰিক সংগ্ৰহ কৰিব পৰা যায় তাত বায়'মেট্ৰিক ব্যতিক্ৰম বুলি চিহ্নিত নকৰিব। ইয়াক 'প্ৰতাৰণা' বুলি গণ্য কৰা হ'ব আৰু কঠোৰ শাস্তি প্ৰদান কৰা হ'ব।
- ✗ আৱাসীৰ মুখাৱয়বৰ *চিত্ৰ* সংগ্ৰহ কৰোতে মূৰ বেকা বা ঘূৰাবলৈ নিদিব।
- ✗ আৱাসীৰ মুখাৱয়বৰ *চিত্ৰ* সংগ্ৰহ কৰোতে আৱাসীক চোবাই থাকিবলৈ বা কথা কৈ থাকিবলৈ নিদিব।
- ✗ ধূসৰ, বেচি বা কম পোহৰৰ, অপ্ৰাকৃতিক ৰঙৰ বা বিকৃত চবি গ্ৰহণ বা নথিভুক্ত নকৰিব।
- ✗ অ-প্ৰাকৃতিক (হাঁহি থকা) প্ৰকাশভংগী, দাত ওলাই থকা, যিকোনো এটা বা দুয়োটা চকু মুদা অৱস্থাত থকা *অথবা* আৱাসীয়ে কেমেৰাৰ পিনে চাই থকা নাই, এনে ধৰণৰ *চিত্ৰ* গ্ৰহণ বা নথিভুক্ত নকৰিব।
- ✗ তালিকাভুক্ত কৰোঁতাৰ ঠিক ওপৰত কোনো পোহৰ ব্যৱহাৰ নকৰিব কাৰণ ইয়াৰ ফলত ছাঁ পৰিব পাৰে।
- ✗ মুখাবয়ৱৰ *চিত্ৰ* সংগ্ৰহৰ সময়ত কলা চশমা/ৰং মিশ্ৰিত চশমা পৰিধানৰ অনুমতি নিদিব।
- ✗ ধৰ্মীয় কাৰণৰ বাহিৰে আন উদ্দেশ্যত মূৰৰ টুপী, মূৰ/মুখমণ্ডল আৱৰি থকা *চিত্ৰ* গ্ৰহণ নকৰিব। সম্পূৰ্ণ পৰিষ্কাৰকৈ দেখা পোৱা মুখাবয়ৱৰ *চিত্ৰ* পোৱাটো নিশ্চিত কৰক।
- ✗ মুখাবয়ৱৰ *চিত্ৰ* লওঁতে কোনো ধৰণৰ আনুষাঙ্গিক উপকৰণেৰে আৱৰি থকা মুখমণ্ডলৰ *চিত্ৰ* নল'ব।
- ✗ আপোনাৰ দ্বাৰা *সম্পাদিত* তালিকাভুক্তিকৰণ *ফৰ্মত আন কাকো চহী কৰিব নিদিব।*
- ✗ আন অপাৰেটৰৰ দ্বাৰা কৰা তালিকাভুক্তিকৰণত কেতিয়াও হস্তাক্ষৰ নকৰিব।
- ✗ আৱাসীৰ নথিত কেতিয়াও নিলিখিব।
- ✗ প্ৰত্যক্ষভাৱে ৰচি বা *পেকিং* টেপ ব্যৱহাৰ কৰি নথি নাবান্ধিব যাৰ ফলত নথিবোৰ চিৰস্থায়ীভাৱে নষ্ট হ'ব পাৰে।

- আৱাসীৰ পৰা সংগ্ৰহ কৰোতে নথিবোৰ ষ্টেপুলহীন কৰা, পুনৰ ষ্টেপুল কৰা বা ভাজ কৰা আদি কাৰ্য নকৰিব।
- প্ৰত্যক্ষ সূৰ্যৰ পোহৰ, জ্বলনশীল দ্ৰব্য, ধুলি আৰু পানী পৰা স্থানত আৱাসীৰ নথিসমূহ নাৰাখিব।
- আৱাসীৰ তথ্যৰ সংশোধন এবাৰতকৈ বেচি কৰিবলৈ অনুমতি নিদিব।
- খঙেৰে কোনো কথাৰ প্ৰত্যুত্তৰ *নিদিব*।
- মানুহে সাধাৰণতে বুজি নোপোৱা কাৰিকৰী ভাষাৰ ব্যৱহাৰ নকৰিব।
- অতি থৰকৈ বা অতি লাহে লাহে কথা নাপাতিব।
- আপুনি নিজে নথিভুক্তিকৰণ ফৰ্মত কোনো পৰিবৰ্তন নকৰিব। আৱাসীয়ে সলনি কৰিবলৈ কলেও সেয়া নিৰীক্ষকলৈ অৰ্পণ কৰিব। অপাৰেটৰে আৱাসীক বিনম্ৰভাৱে নিৰীক্ষকৰ ওচৰলৈ লৈ গৈ তেওঁৰ দ্বাৰা নথিভুক্তিকৰণ ফৰ্মত সালসলনি কৰি আনিবলৈ অনুৰোধ কৰিব।